Content includes AI-generated material

Sacn to Donate
NEWSNEXTONE.COM

www.newsnextone.com
# e সংবাদ

**ৰঙালীৰ ওলগ**

ৰঙালীৰ শুভেচ্ছা জনালো। ৰঙালী বিহু উপলক্ষে আমাৰ কাৰ্যালয় ১৪ আৰু ১৫ এপ্ৰিলত বন্ধ থাকিব। সেয়ে পৰৱৰ্তী কাকত প্ৰকাশ পাব অহা ১৭ এপ্ৰিলত।

MONDAY, APRIL 14, 2025 ■ সোমবাৰ, ৩১ চ'ত, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১০৭ Guwahati, Assam ।। মূল্যঃ এটকা

## ডেলিভাৰী বয়ে 'ডেলিভাৰী' দি থৈ গ'ল বিহুৱানখন

■ ধ্ৰুৱজ্যোতি ধনন্তৰি

গুৱাহাটীখন খালী হৈ গ'ল। বিহু আচলতে এনেকুৱাই। ছ'চিয়েল মিডিয়াত একাংশই দাবী কৰাৰ দৰে কেৱল ঈদতে গুৱাহাটী খালী নহয়। তিনিটা বিহুৰ এটা বিহুক বাদ দি বাকী দুটা বিহু মানেই গুৱাহাটীখন উৰুঙা। শেষাংশ ৩ পৃষ্ঠাত




ৰাভা হাছং পৰিষদৰ শপত গ্ৰহণ অনুষ্ঠান

## তৃতীয়বাৰৰ বাবে ৰাভা হাছঙত শপত ল'লে টংকেশ্বৰে

### ৰাভা বীৰ দদানক স্মৰণ মুখ্যমন্ত্ৰীৰ

ই-সংবাদ, ধুপধৰা, ১৩ এপ্ৰিলঃ ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ নৱনিৰ্বাচিত প্ৰতিনিধিসকলৰ আজি শপত গ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হয়। গোৱালপাৰা জিলাৰ দুধনৈৰ উদয়পুৰত ৫ পৃষ্ঠাত

## বাৰিষা নৌহওতেই চ'ততে বুৰিল গুৱাহাটী

ই-সংবাদ, ১৩ এপ্ৰিলঃ ৰঙালী বিহুৰ এদিন পূৰ্বে নিশা অহা প্ৰচণ্ড ধুমুহা-বৰষুণৰ পিছতে গুৱাহাটী মহানগৰীৰ অৱস্থা অবৰ্ণনীয় হৈ



**পথত পানী, ছয় ঘণ্টা পৰ্যন্ত কৰ্তন কৰিলে বিদ্যুৎ, অবৰ্ণনীয় পৰিৱেশ**

পৰে। কেইবাটাও বাট-পথ কৃত্ৰিম বানত ডুব যোৱাৰ লগতে বিদ্যুতৰ আহ-যাহে অতিষ্ঠ কৰে নাগৰিকক। শেষাংশ ২ পৃষ্ঠাত

## নেশ্যনেল হেৰাল্ডৰ সম্পত্তি জব্দ 'ইডি'ৰ

নতুন দিল্লী, ১৩ এপ্ৰিলঃ নেশ্যনেল হেৰাল্ডৰ ৬৬১ কোটি টকাৰ ৪ পৃষ্ঠাত চাওক

## ৰঙাপৰাত যুৱকক গুলীয়াই হত্যা দুৰ্বৃত্তৰ

ই-সংবাদ, ১৩ এপ্ৰিলঃ অসমৰ মুখ্যমন্ত্ৰী, বিজেপিৰ নেতাই স্থায়ী শান্তি ৫ পৃষ্ঠাত চাওক

### ঢোল-পেঁপাৰ মাতত একাকাৰ পঞ্চায়ত নিৰ্বাচনৰ ঢৌ

# ৰাজ্যজুৰি ৰঙালীৰ উছাহ

### বৈশাগু, বিযুৱাৰো চলিছে আয়োজন


ই-সংবাদ বিশেষ, ১৩ এপ্ৰিলঃ বাৰিষাৰ বৰষুণে পথাৰবোৰ গাভৰু কৰাৰ পূৰ্বে প্ৰকৃতিক উদযাপনৰ বাবে সাজু সমগ্ৰ ৰাজ্যবাসী। আকৌ আহিছে বিহু। ন-ৰূপেৰে সাজি-কাছি ধৰণীক ধুনীয়া কৰা গছ-বিৰিখৰ শেষাংশ ২নং পৃষ্ঠাত



বৈ নো বৈ চেনাইধন, লৈ যোৱা বিহুৱানখন... ফটোঃ মানস প্ৰতীম চেতিয়া

## শদিয়াৰ আগশাৰীৰ ইংৰাজী মাধ্যমৰ বিদ্যালয়ত অসমীয়া ভাষাক অপমান

ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১৩ এপ্ৰিলঃ অসমীয়া ভাষাই লাভ কৰিলে ধ্ৰুপদী ভাষাৰ মৰ্য্যাদা। অসম ৪ পৃষ্ঠাত



### তামিলনাডুত প্ৰতিক্ৰিয়া

## জয় শ্ৰীৰাম ধ্বনি! বিতৰ্কত ৰাজ্যপাল

চেন্নাই, ১৩ এপ্ৰিলঃ সংবিধান ৰক্ষাৰ শপত লৈ পুনৰবাৰ ধৰ্মীয় শ্লোগান দি বিতৰ্কৰ আৱৰ্তত সোমাই পৰিল ৰাজ্যপাল। তামিলনাডুৰ শেষাংশ ৩ পৃষ্ঠাত

## 'ৱাকফ'ক লৈ বৰাকত প্ৰতিবাদ, আৰক্ষীৰে সংঘৰ্ষ

ই-সংবাদ, শিলচৰ, ১৩ এপ্ৰিলঃ ৱাকফ সংশোধনী আইনৰ বিৰোধী প্ৰতিবাদক লৈ চুবুৰীয়া পশ্চিমবংগৰ মুৰ্ছিদাবাদত হিংসাৰ দাবানল অব্যাহত আছে। ৱাকফ সংশোধনী আইনৰ বিৰুদ্ধে শেষাংশ ৭ পৃষ্ঠাত

## 'তিনি গগৈয়ে নিজৰ মাজত বিয়া-বাৰুৰ সম্পৰ্ক গঢ়ি তোলক'

### অখিলৰ তিনি গগৈ মন্তব্যৰ প্ৰত্যুত্তৰ মুখ্যমন্ত্ৰীৰ

ই-সংবাদ বিশেষ, ১৩ এপ্ৰিলঃ ৰাইজৰ দলৰ মুৰব্বী অখিল গগৈৰ তিনি গগৈ এক হোৱাৰ মন্তব্যক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই স্বভাৱসুলভভাৱেৰে কটাক্ষ কৰিছে। মুখ্যমন্ত্ৰীক আজি অখিল গগৈৰ মন্তব্য সন্দৰ্ভত প্ৰশ্ন কৰাত কয় যে তিনি গগৈ এক হ'লে যদি ছুনামি আহে, তেন্তে একলগ হ'ব লাগে। ৫ পৃষ্ঠাত চাওক

## মৰিগাঁৱৰ যুৱ সাংবাদিক কিশোৰ ডেকাৰজাৰ বিয়োগ

**ন-ভেটিত নিশা ভয়ংকৰ পথ দুৰ্ঘটনা**



ই-সংবাদ, মৰিগাঁও, ১৩ এপ্ৰিলঃ মৰিগাঁও চহৰৰ ন-ভেটিত যোৱানিশা সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত মৰিগাঁৱৰ অগ্ৰণী যুৱ সাংবাদিক কিশোৰ ৭ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চ'তৰ শেষ বৰষুণে বুৰালে গুৱাহাটী

নিশাৰ বৰষুণৰ পিছতে নিশাৰে পৰা কেইবা ঘণ্টা বিদ্যুৎ সেৱা ব্যাহত হৈ পৰে। গুৱাহাটীত নিশা, পুৱা আৰু দিনৰ ভাগত কেইবাবাৰো বিদ্যুতৰ লুকা-ভাকু দেখা যায়। মহানগৰীৰ যোৰবাটত ৰাষ্ট্ৰীয় ঘাইপথ পানীত ডুব যোৱাত আহ-যাহত ভীষণ সমস্যাই দেখা দিয়ে। চানমাৰিৰ উৰণীয়া সেঁতুৰ পৰা জলসিঞ্চন কাৰ্যালয় আৰু লোকনিৰ্মাণ বিভাগৰ কাৰ্যালয়ৰ সন্মুখৰ ভাগৰ পথত পানী উপচি পৰাত পথচাৰী ঘণ্টাৰ পিছত ঘণ্টা ধৰি পথৰ ওপৰতে ৰৈ থাকিবলগীয়া হয়। আনহাতে নিৰ্মাণৰত উৰণীয়া সেঁতুৰ বাবে পথটোৰ ঠায়ে ঠায়ে বোকা-পানী জমা হোৱাত পথচাৰীয়ে বিকল্প পথ হিচাপে বাছি লৈছে পদপথ। পদপথেৰে পথচাৰীয়ে বাইক চলাবলৈ আৰম্ভ কৰাত খোজকাঢ়ি আহ-যাহ কৰা লোকসকলে সমস্যাত পৰা দেখা যায়। নিশাৰ ধুমুহা-বৃষ্টিৰ পিছতে মহানগৰীৰ আন আন ঠাইৰ বাট-পথত বোকা-লেতেৰা পানী ভৰি পৰাত নাগৰিকে সমস্যাত পৰে। কালি নিশাৰ বৰষুণজাকৰ পিছতে চৰকাৰে ২৪ ঘণ্টাই বিদ্যুৎ যোগান ধৰিম বুলি কৰা দাবী এদিনতে অসাৰ প্ৰতিপন্ন হ'ল। কিছু সময়ৰ বৰষুণতে গুৱাহাটীৰ বহু ঠাই অন্ধকাৰত ডুব যায় আৰু পথ ভৰি পৰে পানীৰে। অসম শক্তি বিতৰণ কোম্পানী লিমিটেড চমুকৈ এপিডিচিএলে খৰালি বিদ্যুতৰ তাঁৰ, খুঁটা আদি মেৰামতি নকৰাৰ ফলতে নিশাৰ বৰষুণৰ পিছতে বিদ্যুৎ সেৱা বাৰে বাৰে ব্যাহত হোৱাৰ অভিযোগ উঠিছে। গুৱাহাটী মহানগৰীৰ মুখ্য এলেকাৰ লগতে পাৰ্শ্ববৰ্তী এলেকাত প্ৰায় ছয় ঘণ্টা ধৰি বিদ্যুৎ কৰ্তন কৰা হয়। পুৱাৰ ভাগৰে পৰা প্ৰায় ছয় ঘণ্টাৰ বাবে বিদ্যুৎ নথকাত পানীৰ সমস্যাত পৰে কেইবা শ পৰিয়াল। দোনাকীসকলেও সমস্যাত পৰে। ইফাল বিদ্যুৎ সেৱা ব্যাহত, আনফালে পথত পানী। যাৰ বাবে মহানগৰীৰ কেইবাটাও এলেকাত যমৰ-যাতনা ভোগে নাগৰিকে। শক্তি বিভাগে বিদ্যুৎ সেৱা ব্যাহত কৰাৰ কাৰণ সন্দৰ্ভত কোনো বিবৃতি জাৰি কৰা নাই। খৰালি ট্ৰেন্সফৰ্মাৰ মেৰামতি, তাৰ-খুঁটা মেৰামতি নকৰাৰ ফলতে ছয় ঘণ্টালৈ বিদ্যুৎ ব্যাহত হোৱাৰ সন্দেহ কৰা হৈছে। গুৱাহাটীৰ একাংশ লোকে কয় যে বাৰিষাৰ আৰম্ভণিতে কিছু দীঘলীয়া সময় বৰষুণ দিয়াৰ পিছতে বিদ্যুৎ সেৱা ব্যাহত হোৱাত আজি পুৱাৰে পৰা সমস্যা হৈছে। আনহাতে ইয়াৰ দ্বাৰা বাৰিষাৰ আৰম্ভণিতে এটা কথাৰ উমান পোৱা গ'ল যে ভৰ বাৰিষাৰ সময়ছোৱাত বিদ্যুতে গুৱাহাটীবাসীক জ্বলা-কলা খুৱাব। কথাচহকী শক্তিমন্ত্ৰী প্ৰশান্ত ফুকনে দায়িত্ব লৈয়ে ২৪ ঘণ্টাই বিদ্যুৎ যোগান ধৰাৰ দাবী কৰিছিল যদিও সেই দাবীক ধূলিস্যাৎ কৰে কালি নিশাৰ বৰষুণে। গুৱাহাটীৰ লগতে সমগ্ৰ অসমবাসী বিদ্যুতৰ লুকা-ভাকুৰ হাৰাশাস্তিৰ সৈতে দিন অতিবাহিত কৰিবলৈ সাজু হ'বৰ হৈছে। প্ৰথমবাৰ বতাহ-বৰষুণ দিয়াৰ পিছতে যদি এনে অৱস্থা হয় তেন্তে দুই তিনিদিন বতাহ-বৰষুণ একেলগে দি থাকিলে কি অৱস্থা হ'ব সেয়া সহজে অনুমেয়। লোডশ্বেডিঙে আকৌ যে অসমবাসীক হাৰাশাস্তি কৰিব সেয়া যেন অসমীয়া নৱবৰ্ষৰ পূৰ্বেই খাতাং হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যজুৰি ৰঙালীৰ উছাহ

পাতে পাতে তাৰেই খবৰ। বছৰটো ধৰি নিতাল মাৰি থকা কুলি-কেতেকীৰ মধুৰ ধ্বনিয়ে চৌদিশ মুখৰিত কৰাৰ সময়তে বিহুৰ উছাহে ৰং বুলাইছে ডেকা-গাভৰুকো। আকৌ এবাৰ কান্ধত ঢোলটো লৈ হুচৰি গাবলৈ হ'ল, আকৌ এবাৰ গছকত যঁতৰ ভাঙি দৌৰি যাবলৈ হ'ব আঁহতৰ তললৈ। অসমীয়াৰ বাপতিসাহোন এই ব'হাগ। যাক কোৱা হয় হেঁপাহৰ ৰঙালী। যদিওবা লাহে লাহে তাহানিৰ ৰংঘৰৰ বাকৰিত লহপহাই উঠা বিহুৰ মাদকতা লোপ পাইছে, কিন্তু তাৰ মাজতো বিহুক লৈ আজিও ৰাই-জাই কৰে অসময়ীয়াৰ মন-প্ৰাণ। অসমীয়াই উদযাপন কৰা তিনি বিহুৰ ভিতৰত ব'হাগৰ আছে এক সুকীয়া মাদকতা, এক সুকীয়া পৰিচয়। হৰিৎবসনা বসন্তৰ পিৰালিত বহি আপোনজনলৈ অপেক্ষা কৰাৰ বিহু এই ব'হাগ। চেনেহৰ বিহুৱানখনিৰে মৰমবোৰ গভীৰ কৰিবলৈ ইচাত-বিচাত কৰে গাভৰুৰ মন-প্ৰাণ। আপোনজনলৈ অপেক্ষাৰত সেই সময়খিনিত দুওঠৰ ফাঁকেৰে সৰি পৰা শব্দই গাঁথে বিহুগীতৰ মালা। চ'তৰ শেষৰ এই সময়কণত মন কেনেবা লাগে, হৃদয়ত জাগে এক অবুজ শিঁহৰণ। চাগে ইয়াকেই কোৱা হয় প্ৰেম? আৰু সেই প্ৰেমৰে বৰ্হিপ্ৰকাশ ব'হাগ। বিহুৰ এই আকুল জীৱনৰ মাজতো অৱশ্যে প্ৰকৃতিৰ প্ৰতিও সমানেই আকুল হৈ পৰে অসমীয়া। ব'হাগৰ শেষ পৰত আৰম্ভ হ'ব কৃষি কৰ্ম। আকৌ উদং পথাবোৰক সেউজ কৰাৰ এখন সংগ্ৰামত নামি পৰিব চহা কৃষক। আৰু তাৰ পূৰ্বে গোহালিৰ গৰুক নুৱাই-ধুৱাই সাজু কৰা হ'ব খেতিৰ বাবে। সেয়ে পালন কৰা হয় গৰু বিহু। আজি গৰু বিহু। আজি পুৱাৰে পৰা ব্যস্ত গাঁৱৰ কৃষক সমাজ। পুৱাই গোহালিৰ গৰুবোৰ লৈ যোৱা হ'ব ওচৰৰ নদী-বিল-পুখুৰীলৈ। গাত মাহ-হালধি সানি দীঘলতি, মাখিয়তীৰে কোবাই কামনা কৰিব ৰোগমুক্ত হৈ থকাৰ। সেই সময়তে সমস্বৰে গুঞ্জৰিত হ'ব - 'লাও খা বেঙেনা খা/ বছৰে বছৰে বাঢ়ি যা/ মা-ৰে সৰু বাপেৰে সৰু/ তই হবি বৰ গৰু।' সন্ধিয়ালৈ গোহালিত থুপা দি ন-পঘাৰে বন্ধা হ'ব পথাৰৰ লগৰী গৰু কেইটাক। ইয়াৰ পিছতে আৰম্ভ হ'ব সাত বিহু। বিহুৰ এই আনন্দক ভাষাৰে বৰ্ণনা কৰাটো কঠিন। অসমীয়া জনজীৱনৰ এক সুকীয়া পৰিচয় ৰঙালী। স্বচ্ছন্দ জীৱনৰ পৰিচয় হিচাপে যুগ যুগ ধৰি অসমীয়া জাতিয়ে পালন কৰি আহিছে ব'হাগৰ বিহুটি। মূলতঃ কৃষিকৰ্মৰ সৈতে জড়িত এই বিহু এতিয়া সময়ৰ সোঁতত বহুখিনি সলনি হৈছে। আঁহতৰ তলৰ বিহুৱে এতিয়া মঞ্চ ৰজনজনাইছে। চহা জীৱনৰ পৰা উঠি অহা বিহুৰ সৈতে এতিয়া জড়িত হৈ পৰিছে বিহু কমিটীৰ কোটি কোটি টকাৰ বাজেট। কিন্তু ইয়াৰ পিছতো বিহুৰ মাদকতা কোনোদিনেই ম্লান পৰা নাই। কোনো দিনেই শেষ হোৱা নাই বিহুক লৈ অসমীয়াৰ টান। ভূপেন হাজৰিকাই সেয়ে তাহানিতেই কৈছিল- ব'হাগ মাথো এটা ঋতু নহয়/ব'হাগ নহয় এটি মাহ/অসমীয়া কৃষ্টিৰ আয়ুস ৰেখা/ জনজীৱনৰ ই সাহ।' এইবাৰ বিহুৰ ঠিক পিছতে অনুষ্ঠিত হ'ব পঞ্চায়ত নিৰ্বাচন। ইংৰাজী তাৰিখ অনুসৰি মে'ৰ প্ৰথম সপ্তাহতে অনুষ্ঠিত হ'ব নিৰ্বাচন। ইতিমধ্যে আৰম্ভ হৈছে নিৰ্বাচনী প্ৰস্তুতি। দলবোৰে প্ৰাৰ্থী ঘোষণা কৰাৰ পিছত ইতিমধ্যে আৰম্ভ কৰিছে প্ৰচাৰ অভিযানবোৰো। বিহুৰ আনন্দমুখৰ পৰিৱেশৰ মাজতো সেয়ে এইবাৰ নিৰ্বাচনকন্দ্ৰিক এক বতাহ বলিয়েই থাকিব। আৰু বিহুৰ মাদকতাৰ সমান্তৰালভাৱে মনৰ এচুকত চলিয়েই থাকিব নিৰ্বাচনকেন্দ্ৰিক পোৱা-নোপোৱাৰ হিচাপ। চোতালত ভৰি দিয়া হুচৰিৰ দলবোৰৰ সময়তে দুহাত যোৰ কৰি ভোট ভিক্ষা বিচাৰি হাজিৰ হ'ব কোনো প্ৰাৰ্থী, প্ৰচাৰকো। বিহুৰ পিছতে অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনক লৈ প্ৰতিশ্ৰুতিৰ জোৱাৰ উঠিব। একে সময়তে সাধাৰণ জনতাৰ বাবে ৰঙালীৰ ৰং গাত সনাত হেঙাৰ হৈ থিয় দিছে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিয়েও। বজাৰৰ জুই হেন দামে বিহুৰ পূৰ্বেই দহিবলৈ আৰম্ভ কৰিছে দুখীয়া-নিচলা লোকক। এযোৰ নাৰিকলৰ দাম এই মুহূৰ্তত হৈছেগৈ দুশ টকা পৰ্যন্ত। মিঠাতেল, চেনী, দালিৰ আকাংশলঘী দামে কোঙা কৰিছে নিম্ন আৰু নিম্ন মধ্যবিত্ত শ্ৰেণীক। ঠিক এই সময়তে ল'ৰা-ছোৱালী কেইটাক বিহুৰ কাপোৰ এখন দিম বুলি বজাৰলৈ ঢাপলি মেলা পিতৃ-মাতৃয়ে শেতা এখন লৈ ঘুৰ্মুটিয়াই ফুৰিবলগীয়া হৈছে ইখনৰ পিছত সিখন দোকান। কাপোৰৰ দাম শুনি তবধ মনা সাধাৰণ জনতাই লিৰিকি বিদাৰি চাইয়েই উভতিবলগীয়া হৈছে ঘৰলৈ। জেপৰ সামান্য টকা কেইটাৰে বিহুৰ কাপোৰ এসাজ পোৱাৰ সপোন ধুলিসাৎ হৈছে। বিহুৰ মাত্ৰ কেইটামান দিন পূৰ্বে বৃদ্ধি পাইছে ৰন্ধন গেছৰ চিলিণ্ডাৰৰ দাম। পঞ্চাশ টকাকৈ এই দাম বৃদ্ধি বিহুৰ পূৰ্বে চৰকাৰৰ পৰা জনতালৈ যেন এক বিষাক্ত উপহাৰ। এনেই বজাৰত মূল্যবৃদ্ধিৰ দাবানল, তাৰ মাজতে ঘৰুৱা ৰন্ধন গেছৰ মূল্যবৃদ্ধিয়েও এতিয়া হাহাহাকৰ সৃষ্টি কৰিছে ৰাইজৰ মাজত। হেঁপাহৰ ৰঙালীটোক সুখৰ দলিচাৰে আদৰিম বুলিও থমকি ৰ'বলগীয়া হৈছে খাটি খোৱা অসমীয়া। দুঃসহ সময়ৰ আলহী বিহুটিক আদৰাক লৈ কোনোৱে লিখিছিল- 'আইৰ কপালত পৰিছে দুৰ্ভাৱনৰ আৰু এটা দাগ/ আলহী আহিছে হেনো/ নাম তাইৰ ব'হাগ...'। বিহু মানেই অলেখ কথা। হৃদয়ৰ উদযাপনৰ সমান্তৰালভাৱে আজিৰ বিহু বুলি ক'লে টকাৰো খেল। বজাৰ-সমাৰৰ পৰা আদি কৰি আপোনজনক কিনি অনা বিহুৱান এখনি যঁচালৈকে আজিৰ বিহুত ঢেৰ খৰছ। কিন্তু এই সকলোবোৰ পৰিস্থিতিৰ মাজতো বিহু আহিছে। আথে-বেথে বিহুটিক আদৰিবলৈ সাজু হৈছে সমগ্ৰ অসমবাসী। এনেকৈয়ে অসমৰ গাঁৱে গাঁৱে আজি অসমীয়াৰ স্বাভিমান দৃশ্যায়িত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ডেলিভাৰী বয়ে 'ডেলিভাৰী' দি থৈ গ'ল

বজাৰবোৰত ভিৰ কমে, ৰাজপথবোৰত ট্ৰেফিক জাম নাথাকে। খালী হৈ পৰে অট্টালিকাবোৰ। এইবাৰো একেই দৃশ্য। বছৰৰ পিছত বছৰ গৈ থাকে। বছৰি হেঁপাহৰ বিহুটি আহি থাকে। গাঁওবোৰে প্ৰাণ পাই উঠে। কৰ্মসূত্ৰে সুদূৰত থকাসকলেও বিহু বুলি ঢাপলি মেলে আপোন ঘৰখনলৈ।

গছে-বনে বসন্তৰ বা বলে। চিনাকি স্কুলৰ খেলপথাৰখনত চলি থকা কৰ্মশালাৰ পৰা ভাহি আহে ঢোল-পেঁপাৰ মাত। স্বতঃস্ফূৰ্ত বিহুটো এনেকৈয়ে আবদ্ধ হৈ পৰে নিয়মত। তিনিআলি অথবা চাৰিআলিৰ মঞ্চত বিহু কমিটীৰ মানুহবোৰে চ'ত আহি পোৱাৰে পৰা মিটিং পাতে। ৩ কিলিমিটাৰ দূৰৈৰ চ'কটোতো সেই একেই মিটিং চলে আন এখন বিহু কমিটীৰ।

ওচৰৰে কাৰোবাৰ চোতালত কোনো বিহু দলৰ অনুশীলন চলে। 'অতিকৈ চেনেহৰ মুগাৰে মহুৰা/ তাতোকৈ চেনেহৰ মাকো/ তাতোকৈ চেনেহৰ ব'হাগৰ বিহুটি/ নেপাতি কেনেকৈ থাকোঁ?' অনুশীলনথলীৰ পৰা শুনো-নুশুনোকৈ শুনা বিহুগীতটি কাণত পৰাত বিহু কমিটীৰ ডেকা সভাপতি-সম্পাদকসকলৰ মনবোৰে কৈ উঠে, 'অতিকৈ চেনেহৰ মদৰে বটলটি/ তাতোকৈ চেনেহৰ ৱাইন-বীয়েৰ-ভদকা/ বিহু কমিটীক চৰকাৰে দিছে লাখকৈ টকা/ভাইহঁত, বিহুৰে ফাংচনখন নেপাতি কেনেকৈ থাকা?''

মফচলীয় চহৰখনৰ কাপোৰৰ দোকানবোৰে গ্ৰাহকৰ অপেক্ষাত ৰৈ থাকে। পিছে গ্ৰাহকহে নাহে। কাপোৰৰ দোকানৰ কাষতে থকা তামোল-পাণৰ দোকানখনত বাইকবোৰ আহি ৰয়। বাইকৰ পৰা নামি কেঁকোজেকোকৈ বেগবোৰ পিঠিৰ পৰা নমাই ছীটত থৈ চিন্তাক্লিষ্ট ডেকা ল'ৰাকেইজনমানে অকলে অকলে চিগাৰেট হুপে। চিগাৰেটৰ ধোঁৱাৰ সৈতে উৰি যায় ৰঙালীতো জেপ কঙাল হৈ থকা তেওঁলোকৰ দুখ আৰু হুমুনিয়াহবোৰ। বিহু বুলি এইকেইদিন বহুতেই এমাজন-ফ্লিপকাৰ্টতেই অৰ্ডাৰ দিছে চেনেহৰ বিহুৱান! সেয়ে 'ডেলিভাৰী' দি দি 'ডেলিভাৰী বয়'কেইজনো ভাগৰি পৰিছে। ভাগৰি পৰিলেও এটা ডেলিভাৰীত ২০-২৫ টকাকৈ দিনটোত পোৱা টকাৰে ভাল কামিজ-পটলুং বাদেই, বনিয়ন এটাৰো দামেই নোলাইচোন!

সন্ধিয়ালৈ কাপোৰৰ দোকানখনলৈ দুজনীমান ছোৱালী আহে। মেখেলা-চাদৰ বিচাৰি। থলুৱা হাতে বোৱা মেখেলা-চাদৰ ৫০০-১০০০ টকাত বিচাৰিলে বুলিয়েই দোকানীয়ে দিয়েনো কেনেকৈ? দৰ-দাম চলি থকাৰ মাজতে আন দুজন গ্ৰাহক সোমাই আহে। তেওঁলোকক আকৌ ৫০ টকীয়া গামোচা লাগে ৫০ খন। গ্ৰাহকৰ আশাত বোন্দাপৰ দি থকা দোকানীয়ে গুজৰাটী গামোচাকেইখন খৰধৰকৈ বিক্ৰী কৰাৰ বাদে আন উপায়ো নাথাকে। থলুৱা তাঁতশালত বোৱা গামোচা ৫০ টকা বাদেই ১০০ টকাত দিয়াটোও তেনেই অসম্ভৱ। গ্ৰাহক দুজনেই বা ২০০-৩০০ টকা দি থলুৱা গামোচা কিনিবলৈ ক'ৰ পৰা পাব ইমানগাল ধন!

ইফালে, ৰাতিটো পুৱালেই গৰুবিহু। গাঁওখনৰ মাজেৰে বৈ যোৱা নৈখন তেনেই তৰাং। গৰুক ভালকৈ গা ধুৱাবলৈও নৈত পানী নাই। জলজীৱন আঁচনিৰ পানীৰে গৰুক গা ধোওৱাৰ কথা বাদেই, খাবলৈকো পানী নাই। পথাৰত পানী দিয়া মটৰ পাম্পৰ পৰাই পাইপ লগাই গৰুক গা ধুৱাবলৈ সাজু হৈছে বহু গাঁওবাসী। কৃষিভিত্তিক উৎসৱ বিহুত কৃষকৰ এনে দুৰ্দশাৰ কথা ভাবিবলৈ সময় আছেই বা কাৰ?

সময় নাথাকিলেও সময় উলিয়াবলগীয়াসকলে এইকেইদিন মঞ্চই মঞ্চই ডিঙিত ফুলাম গামোচা লৈ ঘূৰি ফুৰাৰ বতৰ। তাতে আকৌ গাঁৱে গাঁৱে পঞ্চায়ত নিৰ্বাচনৰ ধুম উঠিছে। শাসকীয় দলৰ নেতা-পালিনেতাসকলৰ মন নিৰ্বাচন বুলি সাতখন-আঠখন। বিহুৰ পিছতে পঞ্চায়ত নিৰ্বাচন। এনে বিহু আচলতে পাঁচ-ছয় বছৰৰ মূৰে মূৰেহে বহু ভাগ্যৰ বলত পোৱা যায়। সেয়ে এইবাৰৰ বিহুটিত তেওঁলোকৰ হিয়া উলাহে নধৰা হৈ পৰিছে।

বিহু বুলি নাচনীসকলৰ গাতো তত নাই। ৰীল, ইনষ্টাগ্ৰাম ভৰি পৰিছে মুগাৰ সাজ পিন্ধা গাভৰুৰে। আদহীয়া মহিলাসকলো পিছপৰি থকা নাই। সকলোৰে সৌন্দৰ্য সুষমাৰে অপূৰ্ব মায়াময় হৈ পৰা ছ'চিয়েল মিডিয়াত লাইক-কমেণ্টৰ ভিৰ। হোৱাটছএপৰ ষ্টেটাছ-ডিপিতো ৰিয়েক্টৰ পিছত ৰিয়েক্ট আহিছে, গৈছে। এনেকৈ চকুৰ পচাৰতে সাত দিন পাৰেই হৈ গ'ল।

বিহুৰ সাতদিনৰ পিছত ৩ দিন ৰেষ্ট। ১১ দিনৰ দিনা গাঁওখনৰ চাৰিআলিত ফাংচন। দিনৰ দিনটো ইমান ব্যস্ততা নাই। আঙুলিৰ মূৰত গণিব পৰা মানুহকেইজনমান আৰু ল'ৰা-ছোৱালী ১০-১২ টা মানক লৈ নাপাতিলেই নোহোৱা প্ৰতিযোগিতা-অনুষ্ঠানবোৰ কোনোমতে চলাই নিছে আয়োজকসকলে। সকলোৰে অপেক্ষা মাথোঁ ৰাতিটোলৈ। ৰাতিলৈ জনপ্ৰিয় গায়ক আহিব। গাঁৱৰ মানুহবোৰো আহিব। বটলবোৰো আহি পাব। বটলৰ বা লাগি মতলীয়া হোৱা জনপ্ৰিয় গায়কৰ সুৰে সুৰে এচোককৈ গিলি গাঁওখনেও নাচিব।

বটলৰ নাটনিক লৈ ইমান চিন্তা নাই। তিনিআলিটো সৰু হ'লেও চৰকাৰৰ কৃপাত দুই-তিনিখন বটলৰ দোকান হৈছেই। গতিকে ৰাতি যিমানেই নহওক পিছ দুৱাৰ খোলা থাকিবই। কেৱল গৈ আনিলেই হ'ল আৰু জনপ্ৰিয় গায়কৰ সুৰে সুৰে নিশা এপৰলৈ গালেই হ'ল... এইবেলি বিহুটি ৰমকে-জমকে/ বটল ফুল ফুলিবৰ বতৰ/ বিহু পাতিবলৈ চৰকাৰে দিছে টকা/ চেনেহৰ ফাংচনখন নেপাতি কেনেকৈনো থাকা?''

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জয় শ্ৰীৰাম ধ্বনি! বিতৰ্কত ৰাজ্যপাল

ৰাজ্যপাল আৰ এন ৰৱিক বিগত সময়ছোৱাত 'আৰএছএছৰ মুখপাত্ৰ' বুলি অভিহিত কৰি আহিছে ডিএমকে চৰকাৰে। চৰকাৰ আৰু ৰাজ্যপালৰ মাজৰ সংঘাতে শেহতীয়াকৈ উচ্চতম ন্যায়ালয়ৰ ওচৰ চপাত শীৰ্ষ আদালতৰ তীব্ৰ ভৰ্ৎসনাৰো সন্মুখীন হ'বলগীয়া হৈছে ৰাজ্যপাল আৰ এন ৰৱি। কিন্তু এইবাৰ 'হিন্দুত্বৰ এজেণ্ট' বুলি উত্থাপিত অভিযোগত নিজেই ছীল-মোহৰ লগালে ৰাজ্যপালগৰাকীয়ে। মাদুৰাইৰ এখন অভিযান্ত্ৰিক মহাবিদ্যালয় পৰিদৰ্শন কৰি ছাত্ৰ-ছাত্ৰীসকলক 'জয় শ্ৰী ৰাম' ধ্বনি দিবলৈ আহ্বান জনায় ৰাজ্যপাল ৰৱিয়ে। এই ঘটনাৰ এটা ভিডিঅ' মুহূৰ্ততে ভাইৰেল হৈ পৰাত এতিয়া দেশজুৰি সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। উল্লেখ্য যে, শেহতীয়াকৈ ৰাজভৱনত আবদ্ধ হৈ থকা ১০খন বিধেয়কক লৈ ৰাজ্যপাল আৰ এন ৰৱিয়ে উচ্চতম ন্যায়ালয়ৰ তীব্ৰ সমালোচনাৰ সন্মুখীন হৈছিল। সেই বিতৰ্কৰ উত্তাপ শাম কটাৰ পূৰ্বেই আকৌ এবাৰ জ্বলা জুইত ঘিউ ঢালিলে ৰাজ্যপালগৰাকীয়ে নিজেই। শনিবাৰে কলেজৰ এক অনুষ্ঠানত ভাষণৰ সময়ত ৰৱিয়ে কয়, "এজন মহান ৰামভক্ত কবি, কম্ব ৰামায়ণৰ ৰচয়িতাক শ্ৰদ্ধাঞ্জলি জনাইছো। মোৰ লগত কওক, জয় শ্ৰী ৰাম।" তাৰ লগে লগে ছাত্ৰ-ছাত্ৰীৰ এটা অংশই 'জয় শ্ৰী ৰাম' ধ্বনিৰে উত্তাল কৰি তোলে। ইয়াৰ পিছতে ৰাজ্যপালগৰাকীৰ বিৰুদ্ধে সংবিধান উলংঘা কৰাৰ অভিযোগ উত্থাপন কৰি তীব্ৰ আক্ৰমণ চলায় শাসকীয় ডিএমকেয়ে। ডিএমকেৰ মুখপাত্ৰ ধৰণীধৰণে মন্তব্য কৰে যে, "এয়া দেশৰ ধৰ্মনিৰপেক্ষ চৰিত্ৰৰ সম্পূৰ্ণ বিৰোধী। সাংবিধানিক পদত অধিষ্ঠিত ব্যক্তিয়ে কিয় ইমান ধৰ্মীয় আবেদন কৰিব? তেওঁ বাৰে বাৰে সংবিধানক অপমান কৰি আছে। তেওঁ এতিয়াই পদত্যাগ কৰিব লাগে।" কংগ্ৰেছৰ বিধায়ক আছান মৌলানাইও অভিযোগ কৰে যে, "তেওঁৰ আচৰণ ধৰ্মীয় নেতাৰ দৰে। এয়া ধৰ্মীয় অপপ্ৰচাৰতকৈ কম নহয়।" বিতৰ্ক ইয়াতেই স্তব্ধ নহয়। ইতিমধ্যে উচ্চতম ন্যায়ালয়ৰ বিচাৰপীঠত চৰকাৰ-ৰাজ্যপালৰ সংঘাত সন্দৰ্ভত শুনানি চলি আছে। ন্যায়াধীশ এছ বি পাৰ্দিৱালা আৰু ন্যায়াধীশ আৰ মহাদেৱনৰ এখন বিচাৰপীঠে স্পষ্টভাৱে উল্লেখ কৰিছে যে ৰাজ্যপালে বিধেয়ক স্থগিত ৰাখিব নোৱাৰে। তেওঁৰ একপক্ষীয় সিদ্ধান্ত 'অবৈধ' আৰু 'স্বেচ্ছাচাৰী'। ইয়াৰ মাজতে শনিবাৰে দেশৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ৰাজ্যপালৰ স্বাক্ষৰ অবিহনে বিধানসভাত গৃহীত বিধেয়ক আইনত পৰিণত হয়। ইফালে ৰাজ্যপালৰ ধৰ্মীয় শ্লোগান-উদ্যোগক লৈ নতুন বিতৰ্ক আৰম্ভ হৈছে। এনে পৰিস্থিতিত এতিয়া বিতৰ্কই কি ৰূপ লয় সেয়া সময়েহে ক'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শদিয়াৰ আগশাৰীৰ ইংৰাজী মাধ্যমৰ

সাহিত্য সভাকে ধৰি অসমীয়া সাহিত্য চৰ্চা কৰি অহা বিভিন্ন গুণী-সুধীজনৰ লগতে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে সময়ে সময়ে চলাই অহা নেৰানেপেৰা চেষ্টাৰ ফলতেই যোৱা বৰ্ষৰ ৩ অক্টোবৰত অসমীয়া জাতিয়ে এই ভাল খবৰটো লাভ কৰিবলৈ সক্ষম হৈছিল। ধ্ৰুপদী ভাষাৰ সূচীত অসমীয়া ভাষাৰ অন্তৰ্ভুক্তিৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তথা চতুৰ্থ শতিকাৰ পৰা পৰ্য্যায়ক্ৰমে অসমীয়া ভাষাৰ উন্নতিত অৰিহণা যোগোৱা মহান মনিষী, পুৰোধা পণ্ডিত, ভাষাবিদসকললৈ কৃতজ্ঞতাৰ চিনস্বৰূপে অসম চৰকাৰে যোৱা ৩-৯ নৱেম্বৰলৈ ৰাজ্যজুৰি "ভাষা গৌৰৱ সপ্তাহ" উদযাপন কৰে। চৰকাৰৰ আহ্বানমৰ্মে জিলাই জিলাই অনুষ্ঠিত হয় ভাষা গৌৰৱ সপ্তাহৰ কাৰ্যসূচী। যি সময়ত অসমীয়া ভাষাই ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে, সেই সময়তে তিনিচুকীয়া জিলাৰ শদিয়াৰ সদৰ চপাখোৱাৰ সমীপৰ ৫ নং শান্তিপুৰস্থিত ছেণ্ট থমাছ হাইস্কুলত সংঘটিত হৈছে এক নাভূত-নাশ্ৰুত ঘটনা। ঘটনাটো যোৱা ১০ এপ্ৰিলৰ। বৃহত্তৰ শদিয়া অঞ্চলৰ এখন আগশাৰীৰ ইংৰাজী মাধ্যমৰ ব্যক্তিগত খণ্ডৰ উক্ত বিদ্যালয়খনৰ চূড়ান্ত মইমতালিৰ ঘটনা পোহৰলৈ আহিছে। ঘটনাটোৰ পৰা এটা কথাই স্পষ্ট হৈ পৰিছে যে, অসমীয়া ভাষাটোৰ একপ্ৰকাৰ শ্ৰাদ্ধ পাতিবলৈ আৰম্ভ কৰা বিদ্যালয়খনত সংঘটিত হোৱা ঘটনাই প্ৰতিফলিত কৰিছে অসমীয়া ভাষাৰ প্ৰতি বিদ্যালয়খনৰ চূড়ান্ত অৱমাননা। বিদ্যালয়খনত অনুষ্ঠিত হোৱা প্ৰথম গোট পৰীক্ষাৰ যোৱা ১০ এপ্ৰিলৰ অসমীয়া বিষয়ৰ প্ৰশ্নকাকত দেখি শিক্ষাৰ্থীৰ লগতে অভিভাৱকৰ চকু কপালত উঠে। কাৰণ উক্ত প্ৰশ্নকাকতত প্ৰথমৰ পৰা শেষলৈকে কোনো অসমীয়া পঢ়িব পৰা মানুহৰে বোধগম্য নহ'ব প্ৰশ্ন কাকতখন। ৫০ নম্বৰৰ অষ্টম শ্ৰেণীৰ প্ৰশ্নকাকতখনৰ প্ৰশ্নখিনি পঢ়িলে কোনেও গম নাপাব আচলতে কি ভাষাৰ প্ৰশ্নকাকত সেইখন, কোনটো ভাষাৰ বৰ্ণমালাত লিখা হৈছে প্ৰশ্ন কাকতখন ইত্যাদি। জানিব পৰা মতে, বিদ্যালয়খনৰ অধ্যক্ষ কেৰালা মূলৰ ফাদাৰ চাইৰিয়াক মণিপাড়মে বিদ্যালয়খনৰ কোনো শিক্ষকৰ পৰামৰ্শ অবিহনেই নিজেই তৈয়াৰ কৰিছিল উক্ত প্ৰশ্নকাকতখন। অসমীয়া ভাষাৰ নামমাত্ৰও ভাষাজ্ঞান নথকা অধ্যক্ষগৰাকীয়ে এআই অৰ্থাৎ কৃত্ৰিম বুদ্ধিমত্তাৰ পদ্ধতিত প্ৰশ্ন কাকতখন তৈয়াৰ কৰিছিল। ঘটনাক লৈ শদিয়া আঞ্চলিক ছাত্ৰ সন্থা, টাই আহোম যুৱ পৰিষদ, অসম চমুকৈ টাইপাকে ধৰি শদিয়াৰ বিভিন্ন দল-সংগঠনে অধ্যক্ষগৰাকীৰ কৰ্মকাণ্ডক লৈ গৰজি উঠা পৰিলক্ষিত হ'য়। আছু, টাইপাকে ধৰি বিভিন্ন দল-সংগঠনৰ নেতা-কৰ্মীয়ে কালি বিদ্যালয়খনত উপস্থিত হৈ ঘটনাৰ সন্দৰ্ভত অধ্যক্ষগৰাকীক জবাবদিহি কৰাত অধ্যক্ষগৰাকীয়ে দল-সংগঠনৰ সন্মুখত নিজৰ ভুল স্বীকাৰ কৰে। অধ্যক্ষগৰাকীয়ে পৰীক্ষাগৃহত উক্ত প্ৰশ্নকাকতখনৰ শুধৰণিৰ ব্যৱস্থা গ্ৰহণ কৰাৰ কথা জানিবলৈ দিয়াৰ উপৰিও প্ৰয়োজনত পুনৰাই অসমীয়া বিষয়ৰ পৰীক্ষাটি অনুষ্ঠিত কৰা হ'ব বুলি সদৰি কৰে যদিও দল-সংগঠনৰ লগতে অভিভাৱকসকলেও কথাটো মানি ল'বলৈ সন্মতি প্ৰকাশ কৰা নাই। ঘটনাক লৈ শদিয়া সমজিলাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অধ্যক্ষগৰাকীক বৰ্খাস্তৰ দাবী উঠিছে সৰ্বত্ৰে। বিদ্যালয়খনৰ বিৰুদ্ধে পূৰ্বেও অনুৰূপ অভিযোগ উত্থাপন হৈছিল। ঘটনাটোৱে শদিয়াৰ সচেতন মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নেশ্যনেল হেৰাল্ডৰ সম্পত্তি জব্দ 'ইডি'ৰ

সম্পত্তি বাজেয়াপ্ত কৰাক লৈ পুনৰ এবাৰ কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰিল ৰাজ্যসভাৰ সাংসদ কপিল ছিবাল। ইডিৰ এই পদক্ষেপক গণতন্ত্ৰৰ ওপৰত প্ৰত্যক্ষ 'আক্ৰমণ' বুলি অভিহিত কৰে ছিবালে। কেৱল সেয়াই নহয়, প্ৰাক্তন কংগ্ৰেছ নেতাগৰাকীয়ে মোদী চৰকাৰৰ বিৰুদ্ধে একনায়কত্ববাদ প্ৰতিষ্ঠা কৰাৰ অভিযোগো উত্থাপন কৰে। উল্লেখ্য যে, শনিবাৰে ইডিয়ে দিল্লী, মুম্বাই আৰু লক্ষ্ণৌৰ কেইবাটাও গুৰুত্বপূৰ্ণ অঞ্চলৰ নেশ্যনেল হেৰাল্ডৰ কাৰ্যালয়লৈ জাননী প্ৰেৰণ কৰি চৌহদ খালী কৰিবলৈ নিৰ্দেশ দিয়ে। এদিন পিছত দেওবাৰে সাংবাদিকক সম্বোধন কৰি কপিল ছিবালে কয়, "এই চৰকাৰে কংগ্ৰেছক অৰ্থনৈতিকভাৱে পংগু কৰিব বিচাৰিছে। তেওঁলোকে বিচাৰে কংগ্ৰেছৰ কোনো কাৰ্যালয় নাথাকক। যাতে বিৰোধী হিচাপে দলটোৱে ৰাজনৈতিক কাম কৰিব নোৱাৰে।" তেওঁ আৰু কয়, "কংগ্ৰেছৰ হাতত যিয়েই নহওক বেছি টকা নাই। এতিয়া তেওঁলোকৰ সম্পত্তি জব্দ কৰি তেওঁলোকক নিৰ্মূল কৰাৰ চেষ্টা কৰা হৈছে। এয়া কেৱল ৰাজনৈতিক প্ৰতিশোধ নহয়, দেশৰ গণতন্ত্ৰৰ ওপৰতো আক্ৰমণ।" ছিবালে প্ৰধানমন্ত্ৰী মোদীক শানিত ভাষাৰে আক্ৰমণ কৰি কয়, "আমি কওঁ আমি গণতন্ত্ৰৰ মাতৃ। কিন্তু বাস্তৱত আপুনি একনায়কত্ববাদৰ পিতৃ। কেন্দ্ৰীয় সংস্থাৰ সহায়ত বিৰোধীক ধ্বংস কৰা হৈছে। আৰু যিসকলৰ বিৰুদ্ধে দুৰ্নীতিৰ একাধিক অভিযোগ আছে তেওঁলোকক বিজেপিয়ে নিজৰ মাজত আঁকোৱালি লৈছে। তাৰ পিছত ইডি বা চিবিআই তেওঁলোকৰ বিৰুদ্ধে মৌন হৈ পৰে।" প্ৰণিধানযোগ্য যে, নেশ্যনেল হেৰাল্ড গোচৰ সন্দৰ্ভত কেন্দ্ৰৰ বিৰুদ্ধে উত্থাপিত এই অভিযোগ নতুন নহয়। কংগ্ৰেছে দীৰ্ঘদিন ধৰি দাবী কৰি আহিছে যে ৰাজনৈতিক কাৰণত মোদী চৰকাৰে গান্ধী পৰিয়ালৰ বিৰুদ্ধে কেন্দ্ৰীয় সংস্থা ব্যৱহাৰ কৰিছে। বিশেষকৈ যিহেতু ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধী এছ'চিয়েটেড জাৰ্নেলছ লিমিটেড (এজেএল) আৰু ইয়ং ইণ্ডিয়ান দুয়োটাৰে সৈতে প্ৰত্যক্ষভাৱে জড়িত, সেয়েহে কংগ্ৰেছে দাবী কৰে যে এই তদন্ত আচলতে কংগ্ৰেছ নেতৃত্বৰ ওপৰত হেঁচা প্ৰয়োগ কৰাৰ কৌশল। মন কৰিবলগীয়া যে, ২০২৩ চনৰ নৱেম্বৰ মাহত ৰাজস্থান আৰু তেলেংগানা নিৰ্বাচনৰ পূৰ্বে ইডিয়ে ৭৫২ কোটি টকাৰ সম্পত্তি জব্দ কৰিছিল। ইয়াৰে ইয়ং ইণ্ডিয়ান অৰ্গেনাইজেশ্যনৰ সম্পত্তি আছিল ৯০ কোটি আৰু এজেএলৰ সম্পত্তি আছিল ৬৬১.৯ কোটি টকা। সেই সম্পত্তিৰ এটা বৃহৎ অংশ এতিয়া ইডিয়ে পোনপটীয়াকৈ অধিগ্ৰহণ কৰিবলৈ ওলাইছে। কপিল ছিবালে অভিযোগ কৰে যে, "এয়া কেৱল সম্পত্তি জব্দ কৰা নহয়, বিৰোধীৰ কণ্ঠ দমন কৰাৰো ৰাজনৈতিক ষড়যন্ত্ৰ। এনে দমন নীতি আমি কোনোধৰণে সহ্য নকৰো। আমাৰ যুঁজ অব্যাহত থাকিব।"

# শ্ৰীহাটীৰ বাপুজী প্ৰাথমিক বিদ্যালয়, বংশৰ ভৃংগেশ্বৰ প্ৰাথমিক বিদ্যালয়ৰত 'প্ৰাক্-ৰঙালী বিহু' উদযাপন

**ই-সংবাদ, শুৱালকুছি, ১৩ এপ্ৰিলঃ** অসমীয়াৰ হেঁপাহৰ ৰঙালী বিহুৰ প্ৰাকক্ষণত হাজো শিক্ষা খণ্ডৰ বাপুজী প্ৰাথমিক বিদ্যালয়ৰ সৰু শ্ৰীহাটীত আজি প্ৰাক্ ৰঙালী বিহু উদ্যাপন কৰা হয়। বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে মুকলি মনেৰে বিহু নাচি আনন্দ-স্ফূৰ্তি কৰিবলৈ আয়োজন কৰা এই অনুষ্ঠানৰ এফাকি বিহুনামেৰে শুভাৰম্ভ কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ৰুমী দেৱীয়ে। বিদ্যালয়ৰ শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰী, বিহুনাম আৰু বিহু নাচত অংশ গ্ৰহণ কৰা এই অনুষ্ঠানটিত অঞ্চলটোৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত স্বতঃস্ফূৰ্তভাৱে আগবাঢ়ি অহা শিক্ষাৰ্থী আৰু অভিভাৱকসকলৰ শলাগ লয়। অসমীয়া জনজীৱনৰ বাবে বিহুৰ ভূমিকা সম্পৰ্কেও ব্যক্তিসকলে শিক্ষাৰ্থীসকলক উদ্দেশ্যি মন্তব্য প্ৰদান কৰে। আনহাতে, বংশৰ ভৃংগেশ্বৰ প্ৰাথমিক বিদ্যালয়তো আজি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ৰঙালী বিহু সম্পৰ্কে এক সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰাক ৰঙালী বিহুৰ আয়োজন কৰা হয়। বিদ্যালয়ৰ খেলপথাৰত আয়োজিত প্ৰাক ৰঙালী বিহু উৎসৱ উদ্বোধন কৰে পৰিচালনা সমিতিৰ সভাপতি কন্দৰ্প বৈশ্যই। বংশৰ ভৃংগেশ্বৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক ইন্দ্ৰকান্ত বৈশ্যই ছাত্ৰ-ছাত্ৰীসকলক বিহুৰ বিষয়ে মন্তব্য দাঙি ধৰে। প্ৰাক ৰঙালী বিহুত ছাত্ৰ-ছাত্ৰীসকলে ঢোল, বাঁহী, তাল আদি বাদ্যযন্ত্ৰৰ জৰিয়তে বিহু নাচ প্ৰদৰ্শন কৰি সকলোকে আপ্লুত কৰে। বিদ্যালয়খনৰ শিক্ষকত্ৰয় জিতুমণি বৈশ্য, বিজয়া দাস, মলয়া দাস, অভিভাৱক-অভিভাৱিকা আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। অনুষ্ঠানটোক লৈ স্থানীয় ৰাইজে সন্তুষ্টি ব্যক্ত কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# তৃতীয়বাৰৰ বাবে ৰাভা হাছঙত শপত

থকা ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদ সচিবালয়ৰ বাকৰিত অনুষ্ঠিত কৰা হয় শপত গ্ৰহণ অনুষ্ঠান। উক্ত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেবিনেট মন্ত্ৰী ৰণোজ পেগু, মন্ত্ৰী জয়ন্তমল্ল বৰুৱা, ৰাজ্যিক বিজেপি সভাপতি তথা সাংসদ দিলীপ শইকীয়া আৰু গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধি উপস্থিত থাকে। অনুষ্ঠানৰ আৰম্ভণিতে টংকেশ্বৰ ৰাভাই সম্বৰ্ধনা জনায় মুখ্যমন্ত্ৰীৰ লগতে আন মন্ত্ৰীসকলক। ইয়াৰ লগে লগে আৰম্ভ হয় শপত গ্ৰহণ অনুষ্ঠান। জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে প্ৰথমে শপত বাক্য পাঠ কৰোৱায় পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাক। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ তৃতীয়টো কাৰ্যকালৰ মুখ্য কাৰ্যবাহী সদস্য হিচাপে টংকেশ্বৰ ৰাভাই ৰাভা ভাষাত শপত গ্ৰহণ কৰে। আনহাতে পৰিষদৰ অধ্যক্ষ হিচাপে কামৰূপ জিলাৰ হাহিম সমষ্টিৰ প্ৰতিনিধি সোণাৰাম ৰাভা আৰু উপাধ্যক্ষ হিচাপে গোৱালপাৰা জিলাৰ শালপাৰা সমষ্টিৰ প্ৰতিনিধি অলকা ৰাভাক শপত বাক্য পাঠ কৰোৱায়। তাৰ পিছত একেলগে নৱনিৰ্বাচিত প্ৰতিনিধিসকলে অসমীয়া ভাষাত শপত গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ মুখ্য অতিথিৰ ভাষণত ৰাভা বীৰ দদানক শ্ৰদ্ধাৰে স্মৰণ কৰি বীৰ দদানৰ এশ ফুট উচ্চতাৰ এটা প্ৰতিমূৰ্তি নিৰ্মাণ কৰাৰ কথা কয়। যিসকল সাহসী বীৰে মোগলৰ বিৰুদ্ধে যুঁজি মোগলক পৰাভূত কৰিছিল সেইসকলৰ প্ৰত্যকৰে প্ৰতিমূৰ্তি নিৰ্মাণ কৰা হ'ব বুলিও কয়। ৰাভা হাছং পৰিষদীয় এলেকাৰ প্ৰতিটো অঞ্চলৰ দ্ৰুত উন্নয়নৰ বাবে অসম চৰকাৰৰ তৰফৰ পৰা পৰিষদলৈ আগবঢ়োৱা আবন্টিত পুঁজিৰ বাহিৰেও পৰিষদৰ প্ৰতিটো সমষ্টিত সুকীয়া সুকীয়াকৈ ধনৰ আবন্টন দিয়াৰ কথাও উল্লেখ কৰে। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰা বিষয়টোৰ ওপৰত মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদ, ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰণালয় তথা অমিত শ্বাহৰ মাজত ত্ৰিপাক্ষিক বৈঠকৰ পোষকতা কৰে । য'ত ৰাভা হাছং পৰিষদৰ পূৰ্বে নোহোৱা কিছুমান বিষয় আলোচনা কৰা হ'ব। আগন্তুক পঞ্চায়ত নিৰ্বাচন সম্পৰ্কত মুখ্যমন্ত্ৰীগৰাকীয়ে বৰ্তমানলৈ কেইবাগৰাকী এন ডি এৰ প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে আৰু ১৭ এপ্ৰিলৰ পিছত বহু প্ৰাৰ্থীয়ে পুনৰ বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিব। তেওঁ পুনৰ কয় যে কংগ্ৰেছে পঞ্চায়ত নিৰ্বাচনত প্ৰাৰ্থিত্ব আগবঢ়াওক। আমি তেওঁলোকক বাধা নিদিওঁ, তাৰ বিপৰীতে যিসকলে নিৰ্দলীয়ই প্ৰাৰ্থিত্ব আগবঢ়াইছে তেওঁলোকে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰক। শপত গ্ৰহণ অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাৰ লগতে তেওঁৰ সতীৰ্থসকললৈ অভিনন্দন জ্ঞাপন কৰে। আমি ৰাভা হাছং যৌথ মঞ্চ, বিজেপি, এজিপি এনডিএৰ অংশীদাৰ হিচাপে একেলগে কাম কৰি যাম। ৰঙালী বিহুৰ উপহাৰ হিচাপে দুধনৈক সম-জিলালৈ ৰূপান্তৰ কৰাৰ কথাও কয়। আজিৰ শপত গ্ৰহণ অনুষ্ঠানত বকো বীৰপাৰাৰ মন্টু কলিতা নামৰ এগৰাকী যুৱকে পেঞ্চিল আৰ্ট কৰা মুখ্যমন্ত্ৰীৰ এখন প্ৰতিচ্ছবি উপহাৰ হিচাপে আগবঢ়ায়। শপত গ্ৰহণ অনুষ্ঠানত নিৰ্বাচিত প্ৰতিনিধিসকল উপস্থিত থকাৰ উপৰি পৰিষদ এলেকাৰ বহুসংখ্যক ৰাইজ উপস্থিত থাকে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰঙাপৰাত যুৱকক গুলীয়াই হত্যা দুৰ্বৃত্তৰ

অহা বুলি দাবী কৰা অসমত আজিও অব্যাহত আছে অস্ত্ৰৰ ঝনঝননি। আজিও অসমত মুক্ত মনে দুৰ্বৃত্তই অস্ত্ৰ লৈ ঘূৰিব পাৰে। তাৰ প্ৰমাণ পোৱা গ'ল শোণিতপুৰ জিলাৰ ৰঙাপৰাত। ৰঙাপৰাৰ কলনী চাহ বাগিচাত নিশা শূন্য দূৰত্বৰ পৰা গুলীয়াই হত্যা কৰে এজন যুৱকক। নিহত যুৱকজন প্ৰায় ২৩ বছৰীয়া ডেভিদ চাংগা। কালি নিশা ডেভিদ চাংগাত গুলীয়াই হত্যা কৰি দুৰ্বৃত্তই নিৰ্বিঘ্নে আঁতৰি যায়। কলনী চাহ বাগিচাৰ হাস্পতালৰ চাৰি নম্বৰ লাইনত ঘৰ ডেভিদ চাংগাৰ। ৰঙাপৰাৰ কলনী চাহ বাগিচা জয় গুৰু মন্দিৰৰ সন্মুখত কেইবাটাও গুলীবিদ্ধ ডেভিদ চাংগাৰ নিথৰ দেহ উদ্ধাৰ হয়। ডেভিদ চাংগাক গুলীয়াই হত্যা কৰাৰ খবৰ নিশাই বনজুইৰ দৰে বিয়পি পৰে। পুৱতি নিশাৰে পৰা শ শ লোক ঘটনা সংঘটিত এলেকাত উপস্থিত হোৱাত উত্তেজনা বিয়পি পৰে। নিশাই আৰক্ষীয়ে খবৰ লাভ কৰাত আৰক্ষীৰ দল উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। লগতে নিশাৰে পৰা আৰক্ষীয়ে তদন্ত আৰম্ভ কৰে। ঘটনাস্থলীৰ সমীপৰ পৰা খালী কাৰ্টিজ, এপি-৩৭-বিপি-০১৮৬ নম্বৰৰ এখন ক'লা ৰঙৰ সন্দেহজনক আপাচি বাইক উদ্ধাৰ হয় যদিও নিশা পৰ্যন্ত ঘাতকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাই ৰঙাপৰা আৰক্ষী। জানিব পৰা মতে, নিশা প্ৰায় নিশা প্ৰায় ১২.৩০ মান বজাত কলনী চাহ বাগিচাৰ জয় গুৰু মন্দিৰ এলেকাৰ একাংশ লোকে গুলী ফুটাৰ শব্দ লাভ কৰিছিল। এগৰাকী মহিলা ঘৰ আছিল ঘটনা সংঘটিত ঠাইৰ কাষতে। সেই মহিলাগৰাকীয়ে গুলীৰ শব্দ স্পষ্টকৈ লাভ কৰাৰ লগতে ঘটনাস্থলীৰ পৰা তিনিজন যুৱকক পলায়ন কৰা দেখিছিল বুলি সংবাদ মাধ্যমক জানিবলৈ দিয়ে। আৰক্ষীয়ে জানিবলৈ দিয়া মতে ঘটনাক লৈ তদন্ত অব্যাহত আছে। কিন্তু ঘটনাক লৈ এতিয়াই একো ক'ব পৰা নাযায়। কিন্তু এই ঘটনাই বহু প্ৰশ্নৰ উদ্ৰেক কৰিছে। মুখ্যমন্ত্ৰীয়ে অসমত এতিয়া আজিকালি গুলীৰ শব্দত পোহৰ নহয় বুলি দাবী কৰিছে। কিন্তু এইখন অসমতে এতিয়া অস্ত্ৰৰে মুক্তমনে যুৱকক গুলীয়াই হত্যা কৰি নিৰ্বিঘ্নে আঁতৰি যাবলৈ সক্ষম হৈছে। চৰকাৰে দাবী কৰাৰ দৰে সঁচাকৈ অস্ত্ৰ মুক্ত হৈছে নে অসম। ৰঙালী বিহুৰ বতৰত ৰঙাপৰাত সংঘটিত এই ঘটনাই এনে বহু প্ৰশ্নৰ উদ্ৰেক কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# 'তিনি গগৈয়ে নিজৰ মাজত বিয়া-বাৰুতৰ

কোনোবা এখন ঠাইত ভাত-পানী খাই একলগ হোৱা উচিত। যদি এক হ'লে ছুনামি আহে তেন্তে হ'ব লাগে। নহয় কিয় তেওঁলোকে। সেইটো পেপাৰক কিয় ক'ব লাগে। তিনিজনে একে ঠাইত বহি ভাত-পানী খাই দিলেই এক হৈ গ'ল। পিছত তিনিজনে এইটোও ঠিক কৰিব লাগে যে নিজৰ ল'ৰা-ছোৱালীক পৰিয়ালৰ মাজতে বিয়া-বাৰু দিলে তেতিয়া সম্পৰ্কটো ভাল হৈ যাব। একেবাৰে পাৰ্মানেণ্ট সম্পৰ্ক গঢ়ি তুলিব লাগে বুলি কয় মুখ্যমন্ত্ৰীয়ে। এদিন পূৰ্বে অখিল গগৈয়ে শোণিতপুৰত এক যোগদান কাৰ্যসূচীত অংশ লৈ অখিল গগৈয়ে তিনি গগৈৰ প্ৰসংগ উত্থাপন কৰিছিল। অখিল গগৈয়ে কৈছিল যে যদি উজনি অসমত তিনি গগৈ একলগ হয় তেন্তে অসমৰ ৰাজনীতিত এটা মেজিক সৃষ্টি হৈ যাব। অসমৰ ৰাজনীতিত অকল ধুমুহা নহয় এটা যাদু তৈয়াৰ হৈ যাব। যিটো যাদুৱে বিজেপিক ধূলি কৰি লৈ যাব। তাৰ কাৰণে লাগিব আমাৰ বিৰোধী ঐক্যমঞ্চটো ঐক্যবদ্ধ হোৱা। কংগ্ৰেছ, ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদ যেতিয়াই একলগ হ'ব তেতিয়াই লুৰীণজ্যোতি গগৈ, গৌৰৱ গগৈ, অখিল গগৈ একলগ হৈ যাম। তিনি গগৈ যেতিয়া লগ হৈ যাব অসমীয়া মানুহৰ আত্মবিশ্বাস আহি যাব।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

**মনোনয়ন পত্ৰৰ শপতনামাত মিছা মাতিলে বিজেপিৰ প্ৰাৰ্থীয়ে**

# ভুৱা প্ৰমাণপত্ৰ দাখিল বিজেপি প্ৰাৰ্থীৰ

**ই-সংবাদ, ১৩ এপ্ৰিলঃ** কলিয়াবৰত এগৰাকী বিজেপি নেতাৰ কাণ্ড এতিয়া অঞ্চলজুৰি চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। ৰাজ্যিক বিজেপিৰ নেতা তথা কলিয়াবৰ জিলা বিজেপিৰ প্ৰাক্তন সভাপতি কৰুণা কুমাৰ ভুঞাই নিজৰ পত্নীক গাঁও পঞ্চায়ত সদস্যৰ পদৰ প্ৰাৰ্থী হিচাপে ঠি কৰাবলৈ মনোনয়ন পত্ৰৰ সৈতে ভুৱা শিক্ষাগত অৰ্হতাৰ প্ৰমাণ পত্ৰ দাখিল কৰাই সৃষ্টি কৰিছে বিতৰ্ক। জানিব পৰা মতে, মাজ- শেষাংশ ৮ পৃষ্ঠাত




**ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য হিচাপে টংকেশ্বৰ ৰাভাৰ শপতগ্ৰহণ, ফটোঃ ই-সংবাদ, গোৱালপাৰা**

# গোৰেশ্বৰত শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ অষ্টাদশ দ্বি-বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি

**ই-সংবাদ ,১৩ এপ্ৰিলঃ** গোৰেশ্বৰৰ বেতনাত অহা ১৮, ১৯আৰু ২০ এপ্ৰিলত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ অষ্টাদশ দ্বি-বাৰ্ষিক, শৰণীয়া কছাৰী গণতান্ত্ৰিক নাৰী মঞ্চৰ একাদশ বাৰ্ষিক অধিৱেশনৰ লগতে শৰণীয়া কছাৰী শেষাংশ ৮ পৃষ্ঠাত

# ধুবুৰীত টকাৰ বিনিময়ত টিকট!

## ৰকিবুলৰ বিৰুদ্ধে ক্ষোভ দলীয় কৰ্মীৰ

**ই-সংবাদ, শিমলীতোলা, ১৩ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচন চমু চাপি অহাৰ লগে লগে প্ৰতিটো ৰাজনৈতিক দলে তৎপৰ হোৱাৰ সমান্তৰালকৈ বাদ-বিসম্বাদ আৰম্ভ কৰিছে। দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছ দলৰ ১৬ নং বাঘমাৰা জিলা পৰিষদৰ সদস্যা জবেদা আহমেদ আৰু ৮৫ নং বাঘমাৰা গাঁও পঞ্চায়তৰ আঞ্চলিক ১০ পৃষ্ঠাত

# চন্দ্ৰপুৰত সলিল সমাধি ঘটা মাতৃ-দুই কন্যাৰ ভূতনাথত শেষকৃত্য

**কন্যাৰ তোলনী বিয়াৰ বাবে সুদত টকা লৈ জে'ললৈ গৈছিল পিতৃ**

**ই-সংবাদ, ১৩ এপ্ৰিলঃ** গুৱাহাটীৰ সমীপৱৰ্তী চন্দ্ৰপুৰত কলং নৈৰ ঘাটত সংঘটিত মৰ্মান্তিক ঘটনাক লৈ তীব্ৰ চাঞ্চল্য অব্যাহত আছে। উমেশ ৰায় নামৰ লোকজন কাৰাগাৰত বন্দী হৈ থকাৰ সময়তে নৈৰ ঘাটত কাপোৰ আৰু গা ধুবলৈ গৈ পানীৰ বুৰি তেওঁৰ পত্নী গোলাপী দেৱী, দুই কন্যা নীলাক্ষী কুমাৰী আৰু পৰিণীতা কুমাৰীৰ কালি মৃত্যু হৈছিল। এই ঘটনাই শোকস্তব্ধ কৰে সমগ্ৰ চন্দ্ৰপুৰক। কালি মৃতদেহ উদ্ধাৰৰ পিছতে মৰণোত্তৰ পৰীক্ষাৰ অন্তত আজি পৰিয়ালৰ একাংশ লোকে মৃতদেহ শেষাংশ ৯ পৃষ্ঠাত

# 'আমি চোৰ নহয়, আমাক চোৰ সজোৱা হৈছে!'

**ই-সংবাদ, খাৰুপেটীয়া, ১৩ এপ্ৰিলঃ** সুলভ মূল্যৰ ব্যৱসায়ীসকলৰ ডি বি টি আৰু নানা সমস্যা সমাধানৰ বাবে কালি খাৰুপেটীয়া আছাম ক্লাবৰ প্ৰেক্ষাগৃহত দৰং জিলা সুলভ মূল্য ব্যৱসায়ী সন্থাৰ এখন বিশেষ সজাগতা অনুষ্ঠিত হয়। আমি চোৰ নহয়, আমাক চোৰ সজোৱা হৈছে, আচল চোৰ হৈছে চাউল যোগান ধৰা ঠিকাদাৰ আৰু সমবায়সমূহৰ চেক্ৰেটাৰী। সজাগতা সভাৰ অন্তত সাংবাদিকৰ আগত এই বিস্ফোৰক

**'আচল চোৰ হৈছে চাউল যোগান ধৰা ঠিকাদাৰ আৰু সমবায়ৰ ছেক্ৰেটাৰী'**

অভিযোগ আনিলে সদৌ অসম সুলভ মূল্য ব্যৱসায়ী সন্থাৰ সভাপতি ধৰণীধৰ বৰাই। ইয়াৰ উপৰি সজাগতা সভাৰ জৰিয়তে তেওঁলোকৰ কমিছন বৃদ্ধি কৰা, মাহেকীয়া পাৰিতোষিক প্ৰদান কৰা, প্ৰতিজন শেষাংশ ৯ পৃষ্ঠাত

# বেলট যুদ্ধত নামিছে প্ৰাক্তন সাংবাদিক অজয় পাটৰ

**ই-সংবাদ, ১৩ এপ্ৰিলঃ** বেলট যুদ্ধত নামিছে এজন প্ৰাক্তন সাংবাদিক। দীৰ্ঘ সময় সাংবাদিকতা কৰি যুৱ সাংবাদিকে এইবাৰ পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে। গুৱাহাটীৰ কেইবাটাও সংবাদ প্ৰতিষ্ঠানত কাম কৰা আৰু স্থানীয় শেষাংশ ৮ পৃষ্ঠাত

# নৃত্য-গীতেৰে জীপাল বাঁওখুংগ্ৰী মহোৎসৱথলী

**ই-সংবাদ, কোকৰাঝাৰ, ১৩ এপ্ৰিলঃ** কোকৰাঝাৰৰ নিকটৱৰ্তী হৰিণাগুৰিৰ বাঁওখুংগ্ৰী পাহাৰৰ দাঁতিত যোৱা ১২ এপ্ৰিলৰ পৰা আৰম্ভ হোৱা ১২ সংখ্যক বাঁওখুংগ্ৰী মহোৎসৱৰ আজি দ্বিতীয় দিন। বাঁওখুংগ্ৰী মহোৎসৱৰ আজি দ্বিতীয় শেষাংশ ৯ পৃষ্ঠাত

# উৰুকা উপলক্ষে সোণাই বিলত মাছ ধৰিলে গঞাই

**ই-সংবাদ, বেৰেজীয়া, ১৩ এপ্ৰিলঃ** জাকৈ, খালৈ, পল, চেপা, খ'খা, জাল আদি হাতে হাতে লৈ মাছ ধৰিবলৈ নমা অগনন লোকৰ উপস্থিতিৰে দেওবাৰে মুখৰিত হৈ পৰিল নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত ঐতিহাসিক সোণাই বিল। ১০ পৃষ্ঠাত চাওক

# বাহন ক্ৰয়ৰ নামত প্ৰতাৰণাঃ আৰক্ষীৰ জালত ৫ প্ৰৱঞ্চক

**ই-সংবাদ, মৰিয়নি, ১৩ এপ্ৰিলঃ** অনলাইন ক্ৰয়-বিক্ৰয়ৰ প্লেটফৰ্ম OLXত বাহন ক্ৰয়ৰ নামত সংঘটিত হৈছে এক প্ৰতাৰণাৰ ঘটনা। এই সন্দৰ্ভত মৰিয়নি আৰক্ষীয়ে ৫ জন প্ৰৱঞ্চকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে তিতাবৰৰ শেষাংশ ১০ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'ৱাকফ'ক লৈ বৰাকত প্ৰতিবাদ

ইয়াৰ মাজতে অসমতো ৱাকফ সংশোধনী আইনৰ বিৰুদ্ধে দুই-এক সংগঠনে প্ৰতিবাদ কৰি গৈছে। আমছু, নেমছু আদি সংগঠনৰ গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ কেইঠাইতো প্ৰতিবাদ সাব্যস্ত কৰিছে। আজি বৰাক উপত্যকাৰ শিলচৰত একাংশ ইছলামধৰ্মীয়ে উগ্ৰ প্ৰদৰ্শন কৰে। শ শ মুছলমানে ৰাজপথলৈ ওলাই আহে। বিভিন্ন শ্ল'গান দি আৰু প্লেকাৰ্ড লৈ প্ৰতিবাদকাৰীসকলে চহৰলৈ যাত্ৰা কৰিছিল। হাতে হাতে বেনাৰ-পোষ্টাৰ লৈ ৱাকফ সংশোধনী আইন তৎক্ষণাৎ প্ৰত্যাহাৰৰ দাবীত বেৰেঙাত শান্তিপূৰ্ণভাৱে প্ৰতিবাদ কৰিছিল যদিও পিছত হিংসাৰ ৰূপ লোৱাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। পিছত নিৰাপত্তাৰক্ষীৰ হস্তক্ষেপত পৰিস্থিতি ক্ষান্ত হয়। প্ৰতিবাদকাৰীসকলে আৰক্ষীৰ সৈতে সংঘাতত লিপ্ত হয়। কালিবাৰীত আৰক্ষীয়ে ৰেলীক বাধা দিয়াত বেৰিকেড ভাঙিবলৈ চেষ্টা কৰিছিল। লগতে আৰক্ষীৰে পোনপটীয়া সংঘাতত লিপ্ত হয়। শিলচৰৰ চামৰাগুদাম অঞ্চলত আৰক্ষীয়ে জনতাক নিয়ন্ত্ৰণ কৰিবলৈ লাঠীচালনা কৰিবলৈ বাধ্য হয়। ক্ষুব্ধ প্ৰতিবাদকাৰীসকলে আৰক্ষীক লক্ষ্য কৰি শিলাবৰ্ষণ কৰে। আৰক্ষী আৰু প্ৰতিবাদকাৰী আঘাতপ্ৰাপ্ত হোৱাৰ খবৰে উত্তেজনা বৃদ্ধি কৰিছে। কাছাৰৰ আৰক্ষী অধীক্ষক নোমল মাহাট্টা ঘটনাস্থলীত উপস্থিত হৈ বৃহৎ আৰক্ষী মোতায়েন কৰে। অৱশেষত প্ৰতিবাদকাৰীসকলক পিছুৱাই দিয়াত পৰিস্থিত নিয়ন্ত্ৰণ হয়। ৱাকফ আইনক ইছলামবিৰোধী আৰু যদি প্ৰত্যাহাৰ কৰা নহয় তেন্তে দেশজুৰি প্ৰতিবাদৰ হুংকাৰ দিয়ে। আমি আমাৰ জীৱন দিবলৈ সাজু আছো। কিন্তু আমি এই বিধেয়কখন মানি নলওঁ কয় একাংশ প্ৰতিবাদকাৰীয়ে। ইপিনে মুখ্যমন্ত্ৰীয়ে ৱাকফ সংশোধনী আইনৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ নামত অসমত অস্থিৰ কৰিব খোজাৰ অভিযোগ আনিছে। মুখ্যমন্ত্ৰীয়ে কূটাঘাতৰ ভয়ংকৰ ষড়যন্ত্ৰ কৰা বুলি উল্লেখ কৰি কৈছিল যে স্মাৰক-পত্ৰ, প্ৰতিবাদ আদিত আপত্তি নাই। কিন্তু আইন কোনেও হাতত তুলি ল'ব নালাগে। ৰাজপথত প্ৰতিবাদ কৰিলে একাংশই বেয়া পায়। আনহাতে, ওদালগুৰিৰ ওৱাণ্ডৰ ধনশ্ৰীত ৱাকফ সংশোধনী আইন বাতিলৰ দাবীৰে নেমছুৱে প্ৰতিবাদ সাব্যস্ত কৰিছে। বিজেপি চৰকাৰখনে ক্ষমতাৰ অপপ্ৰয়োগ কৰাৰ অভিযোগ উত্থাপন কৰি ৱাকফ সম্পত্তি বেদখলমুক্ত নকৰিলে ব্যাপক গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰে নেমছুৰ সভাপতি বদৰুল ইছলামে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কাছাৰ জিলাত ধৰ্ণা, সমদলত নিষেধাজ্ঞা জাৰি কৰিছে কাছাৰ জিলা আয়ুক্তই। আইন-শৃংখলাজনিত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় ন্যায় সংহিতাৰ অধীনত ১৬৩ ধাৰা অনুযায়ী নিষেধাজ্ঞা জাৰি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মৰিগাঁৱৰ যুৱ সাংবাদিক কিশোৰ

ডেকাৰজাৰ মৃত্যু হোৱা ঘটনাই জিলাখনতে গভীৰ শোকৰ ছাঁ পেলায়। ই টিভি ভাৰত নামৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ এটা জনপ্ৰিয় চেনেলৰ মৰিগাঁৱৰ সংবাদদাতা কিশোৰ ডেকাৰজাই নিশা নিজ কৰ্তব্য সমাপন কৰি মৰিগাঁও চহৰৰ পৰা পাৰ্শ্ববৰ্তী মানিপুৰৰ বাসগৃহলৈ গৈ থকা অৱস্থাত মৰিগাঁও নগৰৰ মাজমজিয়াৰ ন-ভেটিত ব্যৱসায় কাৰ্যত ব্যৱহৃত এখন ঠেলা গাড়ীত মটৰ চাইকেলেৰে খুন্দা মৰাৰ ফলত মাজ ৰাস্তাত বাগৰি পৰে। এই ঘটনাৰ পিছতে একাংশ পথচাৰীয়ে মৰিগাঁও আৰক্ষীৰ সহযোগত উদ্ধাৰ কৰি তেওঁক ততাতৈয়াকৈ মৰিগাঁও অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে। চিকিৎসকে উন্নত চিকিৎসাৰ বাবে তেওঁক গুৱাহাটী মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰে যদিও আদবাটতে তেওঁ অকাল মৃত্যুক সাবটি লয়। অতি অমায়িক স্বভাৱৰ নম্ৰ, ভদ্ৰ, যুৱ সাংবাদিক কিশোৰ ডেকাৰজা ওৰফে বুবুৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে মৰিগাঁও চহৰত সাংবাদিক ক্ষেত্ৰখনৰ লগতে সামাজিক ক্ষেত্ৰখনতো গভীৰ শোকৰ ছাঁ পৰে। ২০১৪ বৰ্ষতে প্ৰাগ নিউজ নামৰ ছেটেলাইট চেনেলটোৰ মৰিগাঁৱৰ ভিডিঅ' জাৰ্নেলিষ্ট হিচাপে আত্মপ্ৰকাশ কৰা কিশোৰ ডেকাৰজাই পৰৱৰ্তী সময়ত টাইম এইট নামৰ চেনেলটোৰ মৰিগাঁৱৰ সংবাদাতা হিচাপে দীৰ্ঘদিন কাৰ্যনিৰ্বাহ কৰি আছিল। প্ৰায় ছমাহ পূৰ্বে এন ই টিভিৰ মৰিগাঁৱৰ সাংবাদিক হিচাপে নিয়োজিত হৈ মৃত্যু পৰ্যন্ত তাতে কৰ্মৰত হৈ আছিল কিশোৰ ডেকাৰজা। দুৰ্ঘটনাত অকাল মৃত্যুক সাবটি লোৱা সাংবাদিক কিশোৰৰ আজি পুৱা মৰিগাঁও অসামৰিক চিকিৎসালয়ত মৰণোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পিছতে মৰিগাঁও সদৰ বিহুতলীত সাংবাদিক সমাজৰ তত্বাৱধানত ৰাজহুৱাভাৱে শেষ শ্ৰদ্ধা জ্ঞাপন কৰা হয়। মৰিগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মাই মৰিগাঁও অসামৰিক চিকিৎসালয়ত যুৱ সাংবাদিক কিশোৰক শেষ শ্ৰদ্ধা জনোৱাৰ লগতে মৰিগাঁও জিলা সাংবাদিক সংস্থা, সাংবাদিক সমাজ, সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, মানৱ অধিকাৰ সংগ্ৰাম সমিতি, কোঁচ-ৰাজবংশী ছাত্ৰ সন্থা, লাচিত সেনা, গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদ, তিৱা যুৱ পৰিষদ, তিৱা ছাত্ৰ সন্থা, অসম ৰাজ্যিক সাংবাদিক সন্থা, অসম জাতীয় পৰিষদ, মৰিগাঁৱৰ জ্যেষ্ঠ-কনিষ্ঠ সংবাদ কৰ্মীসকলৰ লগতে বিভিন্ন দল-সংগঠন আৰু ব্যক্তিবিশেষে মৰিগাঁও বিহুতলীত কিশোৰৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰী, তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱনচন্দ্ৰ কোঁৱৰ, মৰিগাঁও জিলা জনসংযোগ বিষয়া পম্পী দেৱীয়ে সাংবাদিক কিশোৰ ডেকাৰজাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। পথ দুৰ্ঘটনাত অকাল মৃত্যুক সাবটি লোৱা সাংবাদিক কিশোৰে মৃত্যুৰ সময়ত বৃদ্ধ পিতৃ-মাতৃৰ লগতে পত্নীসহ এটি ১৩ বছৰীয়া সন্তানক এৰি যায়।

# লোহাজানীত পথত ছিগি পৰিল গো-মাংসৰ মোনা

**ই-সংবাদ, গোলকগঞ্জ, ১৩ এপ্ৰিলঃ** ধুবুৰী জিলাৰ হালাকুৰা আৰক্ষী চকী এলেকাৰ উত্তৰ লোহাজানী চাৰিআলিত আজি পুৱা পশ্চিমবংগৰ পৰা বাইকেৰে কঢ়িয়াই অনা নিষিদ্ধ গো-মাংসৰ মোনা পথত ছিগি পৰা ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অভিযোগ মতে চৰকাৰে নিষেধাজ্ঞা জাৰি কৰা সত্বেও হালাকুৰা আৰক্ষী তালাচী চকী এলেকাৰে পশ্চিমবংগৰ পৰা নিতৌ নিষিদ্ধ গো-মাংসৰ আমদানি অব্যাহত আছে। এই ক্ষেত্ৰত নীৰৱ ভূমিকা গ্ৰহণ কৰিছে হালাকুৰা আৰক্ষী। হিন্দু গাঁৱৰ মাজেৰে এনেকৈ অসাধু চক্ৰই বেহা চলাই আহিছে। মাজে-সময়ে স্থানীয় ৰাইজ অতিষ্ঠ হৈ আটক কৰি আৰক্ষীক গতাই দিয়া সত্বেও সুমতি অহা নাই আৰক্ষীৰ। আজি AS 17H 1658 নম্বৰৰ হোণ্ডা বাইকত গো-মাংস মোনাত ভৰাই এজন সৰবৰাহকাৰী লোহাজানী অঞ্চলেৰে গংগাধৰ নদী পাৰ হৈ গৌৰীপুৰ অভিমুখে গৈ আছিল। লোহাজানী চাৰিআলিত বাইকৰ পৰা মোনা ছিগি পৰি গো মাংস পথৰ ওপৰত সিঁচৰতি হৈ পৰে। স্থানীয় ৰাইজ গোট খাই হালাকুৰা আৰক্ষীক খবৰ দিয়ে। আৰক্ষী ঘটনাস্থলীত উপস্থিত হোৱাৰ পূৰ্বেই গো-মাংস সৰবৰাহকাৰীজনে পলায়ন কৰে। আৰক্ষীয়ে বাইকখন জব্দ কৰি মাংসৰ মোনা চকীলৈ নিয়ে। ইফালে, এই ঘটনাটোক লৈ অঞ্চলটোত প্ৰতিক্ৰিয়াই দেখা দিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ভুৱা প্ৰমাণপত্ৰ দাখিল বিজেপি প্ৰাৰ্থীৰ

পূৰথৰীয়া গাঁও পঞ্চায়তৰ অন্তৰ্গত ৯ নম্বৰ নলতলি প্ৰথম খণ্ডৰ গাঁও পঞ্চায়ত সদস্য পদৰ বাবে প্ৰাৰ্থী হোৱা জবামণি ভূঞাই শুকুৰবাৰে মনোনয়ন পত্ৰ দাখিল কৰিছিল। কিন্তু শনিবাৰে মনোনয়ন পত্ৰ পৰীক্ষাৰ সময়ত তেওঁৰ দাখিল কৰা শিক্ষাগত অৰ্হতাৰ প্ৰমাণ পত্ৰ সন্দেহজনক বুলি ধৰা পৰে। জবামণি ভূঞাই কুঁৱৰীটোল হাইস্কুলৰ এগৰাকী ছাত্ৰী হিচাপে বিদ্যালয় সলনি কৰাৰ ফটোকপি জমা দিছিল যদিও, শপতনামাত তেওঁ উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ বুলি দাবী কৰিছিল। মনোনয়ন পৰীক্ষাৰ সময়ত জবামণি ভূঞাই মূল প্ৰমাণ পত্ৰ দেখুৱাব পৰা নাছিল আৰু নথি-পত্ৰ হেৰুওৱা বুলি কৈ আত্মপক্ষ সমৰ্থন কৰিছিল। গাঁও পঞ্চায়তৰ সদস্য পদৰ বাবে সাধাৰণ শ্ৰেণীৰ প্ৰাৰ্থীৰ ন্যূনতম অৰ্হতা হৈছে দশম শ্ৰেণী উত্তীৰ্ণ। যিহেতু জবামণি ভূঞা সাধাৰণ শ্ৰেণীৰ, সেইমতে তেওঁৰ এই যোগ্যতা থকা একো প্ৰমাণ আগবঢ়াব নোৱাৰা অৱস্থাই পৰিস্থিতিক অস্বস্তিকৰ কৰি তোলে। এই ঘটনাই বৰ্তমান কলিয়াবৰ বিজেপিক তীব্ৰ অস্বস্তিত পেলায়। সামাজিক মাধ্যমতো সচেতন নাগৰিকে এই ঘটনা লৈ ক্ষোভ প্ৰকাশ কৰে। এই মনোনয়ন পত্ৰ বৈধ নে অবৈধ, তাৰ সিদ্ধান্ত ল'ব খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়। ঘটনাৰ প্ৰতি বিজেপি নেতৃত্বৰ প্ৰতিবাদ নাথাকিলেও, স্থানীয় পৰ্যায়ত দলৰ ভাৱমূৰ্তিক লৈ প্ৰশ্নচিহ্নৰ সৃষ্টি হৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# গোৰেশ্বৰত শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ

জনগোষ্ঠীৰ বাঁহ গোসাঁই উৎসৱটি কেন্দ্ৰীয়ভাৱে উদযাপন কৰাৰ বাবে দিনে নিশাই ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। ইতিমধ্যে অভ্যৰ্থনা সমিতিয়ে কেন্দ্ৰীয় বাঁহ গোঁসাই উৎসৱ উদযাপনৰ লগতে অধিৱেশন সাফল্যমণ্ডিত কৰাৰ বাবেইবাবে দিনৰাতি একাকাৰ কৰি শৰণীয়া কছাৰী উন্নয়ন পৰিষদৰ প্ৰয়াত অধ্যক্ষ হিতেশ ডেকা সোঁৱৰণী ক্ষেত্ৰ সজাই পৰাই তোলাৰ কামত ব্যস্ত হৈ পৰিছে। ইতিমধ্যে আশী শতাংশ কাম সম্পূৰ্ণ হৈ উঠিছে। সোঁ-শৰীৰিৰে উপস্থিত থাকি এই কামৰ তদাৰক কৰি আছে শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ সম্পাদক দীপজ্যোতি শৰণীয়াই। জানিব পৰামতে প্ৰায় অৰ্ধলক্ষাধিকক আদৰিবলৈ অভ্যৰ্থনা সমিতিয়ে প্ৰায় দুশজন স্বেচ্ছাসেৱকক প্ৰশিক্ষণ দি আছে। প্ৰায় ১০/১২ বিঘা মাটিকালিৰ বাঁহ গোসাঁই উৎসৱৰ লগতে শৰণীয়া কছাৰী ছাত্ৰ সন্থা আৰু গণতান্ত্ৰিক নাৰী মঞ্চৰ অধিৱেশনত প্ৰায় ৭শ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। বিস্তৃত কাৰ্যসূচী অনুসৰি ১৮ এপ্ৰিলৰ পুৱা ৯ বজাত অভ্যৰ্থনা সমিতিৰ সভাপতি তথা ৰঙিয়া বিধানসভাসমষ্টিৰ বিধায়ক ভবেশ কলিতাই হিতেশ ডেকা সোঁৱৰণী সমন্বয় ক্ষেত্ৰৰ মুখ্যদ্বাৰ উদঘাটন কৰাৰ পিচতেই গোসাঁইঘৰৰ দ্বাৰ উদঘাটন কৰিব অৱসৰী প্ৰধান শিক্ষক অমীন্দ্ৰ নাথে। ইয়াৰ পিচতেই পৰ্যায়ক্ৰমে মাঙ্গলিক ক্ৰিয়াৰ শুভাৰম্ভ, ৰভা উদঘাটন, অতিথিশালাৰ দ্বাৰ উন্মোচন, প্ৰতিনিধি শিবিৰ মুকলি, প্ৰদৰ্শনী আৰু বিপণীৰ দ্বাৰ উন্মোচন । আবেলি ৩ বজাত শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সভা আৰু সন্ধিয়া বন্তি প্ৰজ্বলন। নিশা ৭ বজাত প্ৰতিনিধি সভা উদ্বোধন কৰিব শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি ধৰ্মেশ্বৰ ডেকাই । ১৯ এপ্ৰিলৰ পুৱা ৮ বজাত পতাকা উত্তোলন, ৯ বজাত হিতেশ ডেকাৰ প্ৰতিচ্ছিত মাল্যাৰ্পণ, ৯ বজাত গছপুলি ৰোপণ । দিনৰ ১১ বজাত ৰাজ্যিক ভিত্তিত শৰণীয়া কছাৰী জনগোষ্ঠীৰ মাছমৰীয়া লোক-নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰিব কোকৰাঝাৰ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ নৱ কুমাৰ শৰণীয়াই। দুপৰীয়া ১২ বজাত "প্ৰজন্মৰ ব্যৱধান আৰু শৰণীয়া কছাৰী জনজীৱনত ইয়াৰ প্ৰভাব " শীৰ্ষক বিষয়ৰ ওপৰত আলোচনা চক্ৰ উদ্বোধন কৰিব তপন শৰণীয়াই। শৰত ডেকাৰ সঞ্চালনাত অনুষ্ঠিত হ'বলগীয়া আলোচনা চক্ৰত আলোচক হিচাপে উপস্থিত থাকিব ডাঃ বিমল ডেকা, অৱসৰী প্ৰবক্তা জগত বৰা আৰু নিবন্ধকাৰ ভৱ ডেকাই । আবেলি ১ বজাত বিশেষ সম্বৰ্ধনা আৰু স্মৃতিগ্ৰন্থ উন্মোচনী সভা। সন্ধিয়া ৬ বজাত বন্তি প্ৰজ্বলন আৰু ৭ বজাত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব জ্যেষ্ঠ সাংস্কৃতিক কৰ্মী প্ৰফুল্ল লহকৰে। নিশাৰ ভাগত প্ৰতিনিধি সভা। ২০ এপ্ৰিলৰ পুৱা ৮ বজাত ধীৰেন চন্দ্ৰ ডেকাই গোসাঁই ধ্বজা উত্তোলন কৰাৰ লগে লগে শৰণীয়া কছাৰী জনগোষ্ঠীৰ জাতীয় সংগঠনসমূহৰ পতাকা উত্তোলন। ৯ বজাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, ৯-৩০ বজাত গছপুলি ৰোপণ, ১০ বজাত বাঁহ গোসাঁই পৰিভ্ৰমণৰ অন্তত শৰণীয়া কছাৰীৰ মাছমৰীয়া নৃত্য প্ৰদৰ্শন। দুপৰীয়া ১২ বজাত মুকলি সভা। প্ৰবীণ ডেকাৰ পৰিচালনাত অনুষ্ঠিত হ'বলগীয়া আৰু শৰণীয়া কছাৰী উন্নয়ন পৰিষদৰ অধ্যক্ষ কিশোৰ কুমাৰ শৰণীয়াই উদ্বোধন কৰিব লগীয়া মুকলি সভাত মুখ্য অতিথি, বিশিষ্ট অতিথি, আৰু নিদিষ্ট বক্তা, বিশেষ বক্তা , সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব ক্ৰমে শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, মন্ত্ৰী পীযুষ হাজৰিকা, সাংসদ দিলীপ শইকীয়া, শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি ৰামেশ্বৰ ডেকা,ডঃ চন্দন শৰ্মা, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰী, কেন্দ্ৰী বৈদেশিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, বি টি চিৰ অধ্যক্ষ কাতিৰাম বড়ো, আদিত্য খাখলাৰী, পৌৰপতি মৃগেন শৰণীয়া, জোতি চিত্ৰবনৰ অধ্যক্ষ বিদ্যাসাগৰ বৰা, বীৰেন্দ্ৰ কুমাৰ বৰ্মন,অসম যুৱ আয়োগৰ সদস্য ৰাতুল শৰ্মা, এবছুৰ সভাপতি দ্বিপেন বড়ো আদিকে ধৰি কেইবাটাও সংগঠনৰ মুৰব্বী। নিশা ৭ বজাত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব শিল্পী পেঞ্চনাৰ হৰিচৰণ ৰাজবংশীয়ে। উক্ত সাংস্কৃতিক অনুষ্ঠানলৈ কণ্ঠশিল্পী অৰুন্ধতী ভানুপ্ৰিয়াক আমন্ত্ৰণ জনোৱা হৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বেলট যুদ্ধত নামিছে প্ৰাক্তন সাংবাদিক

সাংবাদিক হিচাপে কাম কৰাৰ অভিজ্ঞতাৰে পুষ্ট অজয় পাটৰে এইবাৰ পঞ্চায়তৰ ৰণত নামিছে। নগাঁও জিলাৰ সন্তান অজয় পাটৰে কিছুমাহ আগলৈ সাংবাদিকতা কৰি আছিল। কিন্তু সাংবাদিকতা এৰি সক্ৰিয় ৰাজনীতিত নামে। ৰাজনীতিত সক্ৰিয় হৈয়ে পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে। নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ বামুণীগাঁৱৰ বাসিন্দা তিৱা জনগোষ্ঠীৰ সন্তান অজয় পাটৰে বঢ়মপুৰ আঞ্চলিক পঞ্চায়তৰ বামুণী ৱাৰ্ডৰ সদস্য পদত নিৰ্বাচনত অৱতীৰ্ণ হৈছে। প্ৰাৰ্থী অজয় পাটৰে ইতিমধ্যে মনোনয়ন দাখিল কৰিছে। কংগ্ৰেছ দলৰ টিকটত নিৰ্বাচন খেলা জনজাতীয় যুৱক অজয় পাটৰক ৰাইজে আঁকোৱালি ল'ব বুলি আত্মবিশ্বাসী। অজয়ে কয় যে আমি ব্যক্তিত্বৰ ওপৰত নিৰ্বাচন খেলিবলৈ গৈ আছো। এইখন চৰকাৰে পুৱা উঠাৰ পৰা মানুহক আঁচনিৰ কথা কয়। কিন্তু বিজেপিৰ প্ৰাৰ্থীয়ে জয়ী হৈ কাম এটা কৰিম বুলি ক'ব নোৱাৰে। বেলেগ দলে জয়ী হৈ চৰকাৰ গঠন কৰিলে আঁচনি কৰিব পাৰিব। কিন্তু জয়ী হৈ ৰাইজৰ হকে কাম কৰিব লাগিব। আঁচনি বিলাবলৈ মানুহ নালাগে। আঁচনি গাঁওবুঢ়া জনেও বিলাব পাৰে। ইতিমধ্যে আমি ৰাইজৰ মাজলৈ গৈছো। ৰাইজে বহুত সহাৰি দিছে। বহু ঠাইত কংগ্ৰেছে প্ৰাৰ্থী থিয় কৰাব নোৱাৰা সন্দৰ্ভত পাটৰে উত্তৰ দি কয় যে দহজনৰ ভিতৰত মই অকলে আহিছো। মই অকলেই কাম কৰিবলৈ সক্ষম। ৰাইজে যোগ্য প্ৰাৰ্থী বিচাৰক বুলি কৈ পাটৰে কয় যে এজন কাউন্সিলাৰে কি কাম কৰিব পাৰে সেয়া জয়ী হোৱাৰ পিছত ৰাইজে বুজি পাব।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ‘আমি চোৰ নহয়, আমাক চোৰ সজোৱা

ব্যৱসায়ীৰ নামত জীৱন বীমা কৰা আদিকে ধৰি কেইবাটাও সমস্যা সমাধানৰ দাবীত প্ৰতিবাদী কাৰ্যসূচী ঘোষণা কৰে। শনিবাৰে আবেলি খাৰুপেটীয়া আছাম ক্লাবৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সজাগতা সভাৰ সুলভ মূল্যৰ ব্যৱসায়ীয়ে ঘোষণা কৰা মতে ৯ জুনত প্ৰতিখন জিলাত, অসম ৰাজ্যিক ভিত্তিত ৩০ জুনত গুৱাহাটীত আৰু অহা ৩১ জুলাইত নতুন দিল্লীত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হ’ব বুলি মন্তব্য কৰে। লগতে সাংবাদিকৰ আগত চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰি কয় যে এই চৰকাৰে যোৱা ২৮ তাৰিখে সুলভ মূল্যৰ গ্ৰাহকক পোনপটীয়াভাৱে চাউলকে ধৰি বিভিন্ন খাদ্যসামগ্ৰী যোগান ধৰা হ’ব বুলি যি সিদ্ধান্ত লৈছে তাক তেওঁলোকে কেতিয়াও মানি নলয়। চৰকাৰে এই সিদ্ধান্ত বাহাল ৰাখিলে অসমৰ ৩৪০০০ সুলভ মূল্যৰ ব্যৱসায়ীসকলৰ অৱস্থা কি হ’ব বুলি প্ৰশ্ন উত্থাপন কৰে। চৰকাৰে এই সিদ্ধান্ত ল’লে তেওঁলোকক মাৰি পেলাম বুলিও অভিযোগ তোলে। চৰকাৰক এই সিদ্ধান্ত প্ৰত্যাহাৰ কৰাৰ দাবী জনায় সুলভ মূল্যৰ ব্যৱসায়ীসকলে। বিশেষ সজাগতা সভাত দৰং জিলা সুলভ মূল্য ব্যৱসায়ী সন্থাৰ সভাপতি আছানুল্লাহ হক, সম্পাদক মাণিক দেৱশৰ্মা, দৰং জিলা সন্থা অন্যান্য বিষয়ববীয়াৰ লগতে জিলাখনৰ বিভিন্ন প্ৰান্তৰ প্ৰায় দুই শতাধিক সুলভ মূল্যৰ ব্যৱসায়ী উপস্থিত থাকে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# চন্দ্ৰপুৰত সলিল সমাধি ঘটা মাতৃ-দুই

চমজি লয়। কিন্তু পৰিয়ালৰ সদস্যসকল পিতৃ অবিহনে মৃতদেহ চমজি ল’বলৈ অমান্তি হৈছিল। কিন্তু আদালতে গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত বন্দী উমেশ ৰায়ক পেৰ’লত মুক্তি দিয়ে। মুক্তি লাভৰ পিছতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ পৰা মৃতদেহ তিনিটা চমজি ৰায়ে। পিছত মৃতদেহ তিনিটা ভূতনাথ শ্মশানলৈ নি পৰিয়ালৰ লোকৰ সহায়ত একেলগে মুখাগ্নি কৰি শেষকৃত্য সম্পন্ন কৰে ৰায়ে। ৰায়ে কন্যা, পত্নীৰ মুখ দেখি কান্দোনত ভাগি পৰে। হুকহুকাই কান্দি এয়া কি হৈ গ’ল বুলি আৰ্তনাদ কৰে। উমেশ ৰায়ে তেওঁ কিয় কাৰাগাৰত বন্দী হৈ থাকিবলগীয়া হৈছে সেই কথা বৰ্ণনা কৰি বাৰে বাৰে কান্দোনত ভাগি পৰে। প্ৰায় ৭ মাহ ধৰি ঋণ সংক্ৰান্তীয় গোচৰত কাৰাবন্দী হৈ থকা উমেশ ৰায়ে ভূতনাথ শ্মশানত সাংবাদিকক নিজৰ বেদনাভৰা দস্তাবেজ বৰ্ণনা কৰে। তেওঁ কিয় জে’লত যাবলগীয়া হ’ল সেই কথা ব্যক্ত কৰি ফেকুৰি উঠে। ৰমেশ চাহানী নামৰ এজন লোকৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰি তেওঁ কয় যে ৰমেশ চাহানীৰ পৰা তেওঁ টকা সুদত লৈছিল। ছোৱালীৰ তোলনী বিয়াৰ বাবে এক লাখ টকা লৈছিল। মাহকেত ১০ হাজাৰকৈ টকা সুদ দি আছিলো। ৰমেশ চাহানীয়ে উকা চেক আৰু দলিলত স্বাক্ষৰ কৰি লৈছিল। সুদ দি থকাৰ সময়তে আদালতত গোচৰ ৰুজু কৰে। ফলত উমেশ ৰায়ৰ বিৰুদ্ধে গোচৰ ৰুজু হোৱাত আদালতৰ নিৰ্দেশত জে’ল-হাজোতলৈ প্ৰেৰণ কৰে। লগতে ৰমেশ চাহানীয়ে সুদৰ ব্যৱসায় কৰে বুলি দাবী কৰি ৰায়ে কয় যে সি বহুত মানুহক সুদত টকা দিয়ে। উল্লেখ্য যে গুৱাহাটী মহানগৰীৰ সমীপৰ্ৱৰ্তী চন্দ্ৰপুৰত এদিন পূৰ্বে (১২ এপ্ৰিল) মাতৃ আৰু দুই কন্যাৰ একেটা নৈৰ ঘাটতে সলিল সমাধি ঘটে। পুৱাই কলং নৈত গা ধুবলৈ আৰু কাপোৰ ধুবলৈ গৈ গোলাপী দেৱী আৰু জ্যেষ্ঠ কন্যা নীলাক্ষী কুমাৰী আৰু কনিষ্ঠ কন্যা পৰিণীতা কুমাৰীৰ মৃত্যু হৈছিল। বহিঃৰাজ্যৰ লোক যদিও দীৰ্ঘ সময় ধৰি উমেশ ৰায়ে চন্দ্ৰপুৰত বসবাস কৰি আছে। উমেশ ৰায় কাৰাগাৰত বন্দী হৈ থকাৰ সময়তে পত্নী গোলাপী দেৱীয়ে জ্যেষ্ঠ কন্যা নীলাক্ষী কুমাৰী আৰু কনিষ্ঠ কন্যা পৰিণীতা কুমাৰীক লগত লৈ কলং নৈৰ ঘাটত কাপোৰ ধুবলৈ আৰু গা ধুবলৈ যায়। মোনাত কাপোৰ লৈ মাতৃ নৈৰ পাৰৰ শিলত চাবোন লগাই কাপোৰ ধোৱাত ব্যস্ত হৈ পৰে। সেই সময়তে দুই কন্যা নৈৰ ঘাটতে কিছু নিলগত গা ধুই আছিল। তেনে সময়তে সৰু কন্যা পৰিণীতা কুমাৰী নৈৰ সোঁতত উটি যায়। পলকতে নৈৰ সোঁতত পৰিণীতা কুমাৰী বহু দূৰলৈ যোৱাত বায়েক নীলাক্ষী কুমাৰীয়ে চিঞৰ-বাখৰ কৰে। বহু দূৰলৈ যোৱাত ডাঙৰ জীয়ৰী আৰু মাতৃ নীলাক্ষী কুমাৰীক উদ্ধাৰৰ প্ৰয়াস কৰে যদিও কিছু সময় পিছত তিনিওগৰাকী একেলগে ডুব যায়। একাংশ লোকে তেওঁলোকক ঘাটলৈ আহি কাপোৰ ধুই থকা প্ৰত্যক্ষ কৰিছিল। আৰক্ষীক খবৰ দিয়াত আৰক্ষীৰ দল উপস্থিত হৈ প্ৰথমে এছডিআৰএফ বাহিনী উপস্থিত লৈ অভিযান চলায়। তাৰ পিছতে এনডিআৰএফ বাহিনী উপস্থিত হয়। প্ৰায় তিনি ঘণ্টাৰ অন্তত প্ৰথমে মাতৃ, তাৰ পিছতে কনিষ্ঠ কন্যা পৰিণীতা কুমাৰী আৰু তৃতীয়তে নীলাক্ষী কুমাৰীৰ মৃতদেহ উদ্ধাৰ হয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# নৃত্য-গীতেৰে জীপাল বাঁওখুংগ্ৰী

দিনা উখল-মাখল হৈ পৰে হৰিণাগুৰিৰ মহোৎসৱথলী। আজি দ্বিতীয়দিনৰ কাৰ্যসূচী পাহাৰ বগোৱা প্ৰতিযোগিতাৰে আজি বাঁওখুংগ্ৰী মহোৎসৱৰ শুভাৰম্ভ কৰা হয় । অসমৰ বিভিন্ন প্ৰান্তৰ উপৰি মেঘালয়, ছিকিম, পশ্চিমবংগ আদি বহিঃৰাজ্যৰ শতাধিক প্ৰতিযোগীয়ে পাহাৰ বগোৱা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। উক্ত পাহাৰ বগোৱা প্ৰতিযোগিতাৰ পুৰুষ শাখাৰ ফ্লেগঅফ কৰে বিটিআৰৰ পৰ্যটন বিভাগৰ মুৰব্বী বিষয়া জয়ন্ত শৰ্মাই আৰু মহিলা শাখাৰ ফ্লেগঅফ কৰে বিশিষ্ট ক্ৰীড়াবিদ কুঞ্জলতা বড়োৱে। ইয়াৰ পিছতে জনগোষ্ঠীয় ৰন্ধন প্ৰতিযোগিতা অনুষ্ঠিত হয় । জনগোষ্ঠীয় ৰন্ধন প্ৰতিযোগিতাৰ শুভাৰম্ভ কৰে বিটিআৰৰ কাৰ্যবাহী সদস্য সাইখং বসুমতাৰীয়ে। আনহাতে দুপৰীয়াৰ ভাগত অনুষ্ঠিত হোৱা বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক অনুষ্ঠানৰ শুভ উদ্বোধন কৰে ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই। সাংস্কৃতিক অনুষ্ঠানত বড়ো, কোঁচ-ৰাজবংশী, ৰাভা, গাৰো, বেংগলী আদি জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক গোষ্ঠীৰ দলে অংশগ্ৰহণ কৰে। ইপিনে সাংস্কৃতিক অনুষ্ঠানৰ মঞ্চ মুকলি কৰি মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই বাঁওখুংগ্ৰী মহোৎসৱ বিভিন্ন জাতি-জনগোষ্ঠীৰ এক সমন্বয়ৰ ক্ষেত্ৰ বুলি অভিহিত কৰিছে। বাঁওখুংগ্ৰী মহোৎসৱে পৰ্যটনৰ মানচিত্ৰত স্থান দখল কৰিছে বুলি মন্তব্য কৰি উৰ্খাও গৌৰা ব্ৰহ্মই লোকবিশ্বাস অনুসৰি পাহাৰ বগাই পূজা কৰিলে মনোবাঞ্ছা পূৰ্ণ হয় বুলি মন্তব্য কৰে।উল্লেখ্য যে চ’তৰ সংক্ৰান্তিৰ দিনা বাওখুংগ্ৰী পাহাৰ বগাই ভগৱানৰ আশিস লৈ বছৰটোলৈ সুস্বাস্থ্যৰ গৰাকী হোৱাৰ লগতে মনোকামনা পূৰ্ণ হোৱাৰ পৰম্পৰা বড়ো সমাজত পূৰ্বৰে পৰা চলি আহিছে আৰু সেই প্ৰাচীন পৰম্পৰাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতি বছৰৰ দৰে এইবেলিও বাঁওখুংগ্ৰী মহোৎসৱ বিটিচি চৰকাৰৰ উদ্যোগত অনুষ্ঠিত কৰা হৈছে। আনহাতে তিনিদিনীয়া বাৰেবৰণীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা বাঁওখুংগ্ৰী উৎসৱৰ সৈতে সংগতি ৰাখি পৰম্পৰাগত খেল যেনে খোমলাইনায়, ঘিলাযুঁজৰ লগতে হাফ মাৰাথন ৰেচ, চাইক্লিং আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। তদুপৰি বড়ো জনগোষ্ঠীয় বিভিন্ন পৰম্পৰাগত খাদ্য সম্ভাৰৰ লগতে বিভিন্ন বিপণী উৎসৱথলীত গঢ়ি তোলাৰ লগতে মহোৎসৱথলীত জনগোষ্ঠীয় সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হয়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# উৰুকা উপলক্ষে সোণাই বিলত মাছ

উল্লেখ্য যে প্ৰায় এশ বছৰ ধৰি ব'হাগ বিহুৰ উৰুকাৰ দিনা নগাঁও জিলাৰ পশ্চিমাঞ্চলৰ ৰাইজে পৰম্পৰাগতভাৱে পালন কৰি আহিছে এই সমূহীয়া মাছ ধৰা উৎসৱ। এইবেলিও গঞা ৰাইজে উৎসাহ-উদ্দীপনাৰ মাজেৰে পালন কৰিলে এই সমূহীয়া মাছ ধৰা উৎসৱ। সেয়ে পুৱাৰে পৰা প্ৰতিকূল বতৰকো নেওচি জাজৰি, নসত্ৰ, ৰাইডঙীয়া, চকলাঘাট, কাছমাৰী, পুখুৰীপাৰ, মাজগাঁও, কুজিদাঁহ, দলংঘাট, গা-খজুৱা, বৰচিলা, হাতীচোং, শিমলুগুৰি, নভেটি, দীঘলীপাৰ, বৰডুবিয়া, আইভেটি, খৌৰামোচৰ, দৰঙীয়াল, খাটোৱাল, ক্ষেত্ৰী গাঁও, গছপুৰীয়া, গেদাৰবড়ী আদি ঠাইৰ পৰা সোণাই বিললৈ মাছ ধৰিবলৈ আৰু মাছ ধৰাৰ মনোৰম দৃশ্য উপভোগ কৰিবলৈ অহা অগণন গঞা ৰাইজৰ উপস্থিতিৰে ঐতিহাসিক সোণাই বিলৰ পাৰত এক উদুলি-মুদুলি পৰিবেশৰ সৃষ্টি হয়। এনেদৰে জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সমৱেত হোৱা ৰাইজে সোণাই বিলক এক সমন্বয়ৰ থলীলৈ ৰূপান্তৰ কৰে। প্ৰকাশ যে স্বতঃস্ফূৰ্ত আৰু ৰং-ধেমালিৰ মাজেৰে ঐক্য-সংহতিৰ উৎকৃষ্ট চানেকি দাঙি ধৰি পুৰুষ-মহিলা, ডেকা-গাভৰুৰ লগতে কণ কণ লৰা-ছোৱালীয়েও মাছ ধৰাৰ বাবে বিলৰ পানীত নামে যদিও পূৰ্বৰ তুলনাত মাছৰ সংখ্যা বহু পৰিমাণে হ্ৰাস পোৱা হেতু অধিকাংশই মাছ পাবলৈ সক্ষম নহ'ল। কিন্তু ইয়াৰ বাবে কোনেও দুখ প্ৰকাশ নকৰি উৰুকাৰ বহু আকাংক্ষিত এই দিনটোত সোণাই বিলত পৰম্পৰাক জীপাল কৰি তোলে। আনকি বহু কেইজন অত্যুৎসাহী লোকে বিলৰ পাৰতেই বিহুগীত জুৰি নৃত্য-গীতত মচগুল হৈ বিহুৰ আনন্দত মতলীয়া হৈ এক নান্দনিক পৰিবেশৰ সৃষ্টি কৰে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বাহন ক্ৰয়ৰ নামত প্ৰতাৰণাঃ আৰক্ষীৰ

ৰাজা দাস নামৰ এজন ব্যক্তিয়ে OLXত এখন বলেৰো বাহন ক্ৰয় কৰাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছিল। বাহন বিক্ৰীৰ বাবে তেওঁৰ সৈতে ৰাজু ৰেড্ডী, জয়দ্বীপ কাকতি, যদুমণি দাস আৰু দিগন্ত বৰোৱা নামৰ ব্যক্তিসকলৰ সৈতে যোগাযোগ স্থাপন কৰে। কথা-বতৰা আৰু আলোচনাৰ অন্তত গাড়ীখন ৪.৫০ লাখ টকাত বিক্ৰীৰ সিদ্ধান্ত লোৱা হয়। পৰৱৰ্তী সময়ত প্ৰৱঞ্চকৰ দলটোৱে মৰিয়নিৰ নকছাৰী অঞ্চলত গাড়ীখন দেখুৱাবলৈ আহে। চূড়ান্ত আলোচনাৰ অন্তত দলটোৱে ৰাজা দাসৰ পৰা ৪.৫০ লাখ টকা লোৱাৰ পিছত বলেৰ' বাহনখন লৈ প্ৰৱঞ্চককেইটা কৌশলেৰে উক্ত স্থানৰ পৰা পলাই যায়। পিছত প্ৰতাৰণাৰ সমগ্ৰ ঘটনাৰ সবিশেষ জনাই তিতাবৰ থানাত অভিযোগ দাখিল কৰে ভুক্তভোগী ৰাজা দাসে। অভিযোগ অনুযায়ী যোৰহাট জিলাৰ আৰক্ষীয়ে অভিযান চলাই কিছুদিনৰ ভিতৰতে গাড়ীখন উদ্ধাৰ কৰাৰ লগতে ৫ অভিযুক্তক গ্ৰেপ্তাৰ কৰে। মৰিয়নি আৰক্ষীৰ এই সফল অভিযানৰ অন্তত জনসাধাৰণক OLX বা অন্যান্য অনলাইন প্লেটফৰ্মৰ জৰিয়তে ক্ৰয়-বিক্ৰয় কৰাৰ সময়ত অধিক সতৰ্কতা অৱলম্বন কৰিবলৈ নিৰ্দেশ দিছে। চক্ৰটোৱে আগতেও এনেদৰে বিভিন্ন পক্ষক প্ৰতাৰণা কৰাৰ সন্দেহ প্ৰকাশ কৰিছে আৰক্ষীয়ে। আৰক্ষীয়ে অধিক তথ্যৰ বাবে তদন্ত চলাই অব্যাহত ৰাখিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ধুবুৰীত টকাৰ বিনিময়ত টিকট!

সদস্য পদৰ প্ৰাৰ্থিত্বপ্ৰত্যাশী আব্দুল মান্নানে বিক্ষোভ প্ৰদৰ্শন কৰে। দুয়োগৰাকী প্ৰাৰ্থীয়ে কংগ্ৰেছ দলৰ দলীয় টিকট নোপোৱাৰ পিছতে ক্ষোভিত হৈ পৰে দলীয় সমৰ্থকসকলে। দলীয় টিকট দিম দিম বুলি কৈ মনোনয়ন দাখিলৰ অন্তিম দিনালৈ বাট চাবলৈ কৈ শেষত বেলেগ এজনক প্ৰাৰ্থিত্ব দিয়ে। টিকট বঞ্চিত বাঘমাৰা জিলা পৰিষদৰ সদস্যা পদৰ প্ৰাৰ্থী জবেদা আহমেদৰ পৰা ১৬ লাখ টকা আৰু বাঘমাৰা চৰ গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদৰ প্ৰাৰ্থী আব্দুল মান্নানৰ পৰা দুই লাখ টকা লোৱাৰ পিছতো পৰৱৰ্তী সময়ত অধিক টকা দিয়া প্ৰাৰ্থীক টিকট দিয়াৰ দাবী কৰে। টিকট বঞ্চিত দুয়োগৰাকী প্ৰাৰ্থীৰ সমৰ্থকে আজি হাতে হাতে কংগ্ৰেছৰ দলীয় প্ৰতীক, বেনাৰ, টুপী পতাকা আদি সকলো জ্বলাই শ শ কংগ্ৰেছ কৰ্মীয়ে সাংসদ ৰকিবুল হুছেইনৰ প্ৰতিকৃতি দাহ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। দুয়োগৰাকী প্ৰাৰ্থীয়ে কয় যে দলীয় নেতা-কৰ্মীৰ সমৰ্থনৰ উপৰি অধিকাংশ মণ্ডল কংগ্ৰেছৰ সমৰ্থন থকাৰ পিছতো কংগ্ৰেছৰ টিকট প্ৰদান কৰা চেঙা ব্লক সভাপতি বছিৰুদ্দিন, বৰপেটা জিলা কংগ্ৰেছৰ সভাপতি ৰাজীৱ হকৰ লগতে ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে কেৱল টকাৰ কাৰণে নিষ্ঠাৱান কৰ্মীক বঞ্চিত কৰি টিকট প্ৰদান কৰে। যাৰ ফলত আজি কংগ্ৰেছ দলৰ জবেদা আহমেদ আৰু আব্দুল মান্নানৰ সমৰ্থক ক্ষোভত ফাটি পৰে।

# গমাৰীগুৰিত অবৈধ শিল-বালি খনন, সৰৱ আছু

**ই সংবাদ, বৰপেটাৰোড, ১৩ এপ্ৰিলঃ** গোবৰ্ধনা-বেঁকী ৰিভাৰ এলেকাত একাংশ শিল-বালি মাফিয়াই অবৈধভাৱে চালানবিহীনভাৱে শিল-বালি খনন কাৰ্যই শংকিত কৰি তুলিছে কাষৰীয়া কেইবাখনো গাঁৱঁলৈ। এই ক্ষেত্ৰত বৰপেটা জিলাৰ গামাৰীগুৰি গাঁৱৰ অন্তৰ্গত বেঁকীত পুনৰ আৰম্ভ কৰা শিল-বালি খনন বন্ধ কৰাৰ দাবীত ২৪ ফেব্ৰুৱাৰীত প্ৰতিবাদী ৰাজহুৱা সভাৰ দ্বাৰা বৰনগৰ ৰাজহ চক্ৰ বিষয়া আৰু বৰপেটাৰোড বনাঞ্চলিক বিষয়াৰ জৰিয়তে বৰপেটা জিলাৰ গামাৰীগুৰিত শিল-বালি খনন বন্ধ কৰাৰ দাবীত পিচিচিএফলৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰা হৈছিল। লগতে ২ মাৰ্চত গোবৰ্ধনা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ৰাইজৰ সহযোগত মানৱ শৃংখল কাৰ্যসূচীৰে প্ৰতিবাদ সাব্যস্ত কৰা হৈছিল। আন্দোলনৰ ফলত বন বিভাগৰ উচ্চপদস্থ বিষয়াই বিভাগীয়ভাৱে তৎকালীন পদক্ষেপ গ্ৰহণ কৰি গামাৰীগুৰিৰ বেঁকীত শিল-বালি খনন বন্ধ কৰি দিছিল। কিন্তু আশ্চৰ্যজনকভাৱে এই আদেশক ভেঙুচালি কৰি স্থানীয় একাংশ বন বিষয়াৰ লগত মিতিৰালি কৰি আন একাংশ দুষ্ট প্ৰবৃত্তিৰ লোকে পুনৰ গামাৰীগুৰিত শিল-বালি খনন আৰম্ভ কৰিছে। স্থানীয় বন বিষয়াৰ ছত্ৰছায়াত গামাৰীগুৰিৰ বেঁকীত পুনৰ গোপনে প্ৰতিদিনে অবৈধভাৱে শিল-বালি খনন আৰম্ভ কৰিছে। এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি গোবৰ্ধনা আঞ্চলিক ছাত্ৰ সন্থাই কয়, স্থানীয় বন বিষয়াৰ ছত্ৰছায়াত চলি থকা এই চৌৰ্য প্ৰকৃতিৰ কাম শীঘ্ৰে বন্ধ হ'ব লাগে। অন্যথা ৰাইজৰ সহযোগত পূৰ্বতকৈ ভয়াৱহ আন্দোলনৰ কাৰ্যসূচী ল'বলৈ বাধ্য হ'ব। উল্লেখ্য যে, গামাৰীগুৰিৰ সীমাত লাগি থকা গোবৰ্ধনা-বেঁকী নদী এলেকাত একাংশ  শিল-বালি মাফিয়াই অবৈধভাৱে শিল-বালি খনন কৰি আহিছে। উক্ত এলেকাৰ দোহাই দি তেওঁলোকে স্থানীয় বন বিষয়াৰ ছত্ৰছায়াত গামাৰীগুৰিত শিল-বালি খনন আৰম্ভ কৰিছে। তাতকৈও আচৰিত বন বিভাগৰ লগত মিতিৰালি কৰি একাংশ শিল-বালি মাফিয়াই মৰা পাগলাদিয়া, পুঠিমাৰী নৈৰ চালানেৰে সাধাৰণ জনতাৰ লগতে অসম চৰকাৰৰ চকুত ধূলি দি বেঁকীৰ বিভিন্ন খননস্থলীৰ পৰা শিল-বালি কঢ়িয়াই আহিছে। যিটো আইনীভাৱে অপৰাধ। এই কাৰ্য অতিশীঘ্ৰে বন্ধ হ'ব লাগে। শিল-বালি খননৰ ফলত বৰপেটা জিলাৰ গামাৰীগুৰি, চাফাকামাৰ আৰু বাক্সা জিলাৰ গোবৰ্ধনা আৰু ইয়াৰ কাষৰীয়া অন্য ঠাইত সামাজিক, অৰ্থনৈতিক, শৈক্ষিক ক্ষেত্ৰত যি বিৰূপ প্ৰভাৱ পৰিছে তাক প্ৰতিহত কৰাৰ বাবে যিকোনো পন্থা ল'বলৈ গোবৰ্ধনা আঞ্চলিক ছাত্ৰ সন্থা বাধ্য হ'ব বুলি জানিবলৈ দিয়ে।

# ডবকাত সেউজপৰীয়া শাখা সাহিত্য সভা গঠন

**ই-সংবাদ, মোৰাঝাৰ, ১৩ এপ্ৰিলঃ** ডবকাৰ সমীপৰ কৰৈগুৰি নিউ এলপি স্কুল প্ৰাংগণত আজি অনুষ্ঠিত এখন সভাত ২০২৫-২৭ বৰ্ষৰ বাবে সেউজপৰীয়া শাখা সাহিত্য সভা নামেৰে অসম সাহিত্য সভাৰ এটি শাখা সমিতি গঠন কৰা হয়। স্থানীয় সাহিত্যানুৰাগী ব্যক্তি গিয়াছ উদ্দিন লস্কৰ, নজিব আহমেদ, ৰফিক উদ্দিন, নিমাৰ আলী তালুকদাৰ, মইনুল হক লস্কৰ, ছাইফ উদ্দিন বৰভুঞা, শ্বাহ আব্দুল আজিজ খান, জামাল হুছাইন বৰভুঞা, জিয়াবুৰ ৰহমান, চামছ উদ্দিন, মুফিদুৰ ৰহমানৰ আহ্বানত এই সভাখন অনুষ্ঠিত হয়। জমিৰ উদ্দিন তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত এই সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে আহ্বায়ক ৰফিক উদ্দিনে। সভাখনত অতিথি ৰূপে উপস্থিত থকা হোজাই জিলা সাহিত্য সভাৰ সম্পাদক অচ্যুৎ ঠাকুৰীয়াই সাহিত্য সভাৰ নতুন শাখা গঠনৰ নিয়মাৱলী, নতুন সভ্য ভৰ্তি, সাহিত্য সভাই পালন কৰা দিনবোৰৰ বিষয়ে উল্লেখ কৰে। সভাত জমিৰ উদ্দিন তালুকদাৰক সভাপতি, নিমাৰ আলী তালুকদাৰক উপ-সভাপতি আৰু ৰফিক উদ্দিনক সম্পাদক হিচাপে লৈ এখন সমিতি গঠন কৰা হয়। সভাত উপস্থিত থকা হোজাই জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদকদ্বয় ছাদিকুজ জামান, প্ৰতাপ বৰুৱা, শিক্ষক নিমাৰ আলী তালুকদাৰে বক্তব্য আগবঢ়ায়। সভাত উপস্থিত থাকে পূব জাৰুণী জাতীয় বিদ্যালয়ৰ অধ্যক্ষ চাইফুদ্দিন বৰভুঞা, নীলবাগান শাখা সাহিত্য সভাৰ উপ সভাপতি দিলৱাৰ হুছেইনসহ স্থানীয় বহুকেইগৰাকী নাগৰিক।

# ১০০ শতাংশ উত্তীৰ্ণ হোৱা খাৰুপেটীয়াৰ মৰ্নিং ষ্টাৰ ইংলিছ স্কুলৰ কীৰ্তিমান ছাত্ৰ-ছাত্ৰীক শুভেচ্ছা

**ই-সংবাদ, খাৰুপেটীয়া, ১৩ এপ্ৰিলঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত দৰং জিলাৰ বৃহত্তৰ খাৰুপেটীয়া এলেকাত উন্নত মানৰ ফলাফলেৰে উজলিল ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহ। খাৰুপেটীয়াত চৰকাৰী খণ্ডৰ বিপৰীতে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ফলাফলে খাৰুপেটীয়া অঞ্চলৰ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। খাৰুপেটীয়াত ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহৰ ভিতৰত মৰ্নিং ষ্টাৰ ইংলিছ হায়াৰ ছেকেণ্ডাৰী স্কুলত অৱতীৰ্ণ হোৱা বিদ্যাৰ্থীৰ এশ শতাংশই উত্তীৰ্ণ হয়। বিদ্যালয়খনৰ পৰা অৱতীৰ্ণ হোৱা ৪৪ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৰাছবিৰ মাচুদ ৯২%, আনিছা চুলতানা ৮৬%, ইয়াছিকা সাহা ৮৫%, বেহা আহমেদ ৮৫% সহ ৪ গৰাকী ডিষ্টিংচন, ১৪ গৰাকী ষ্টাৰ, ২০ গৰাকী প্ৰথম বিভাগত আৰু ৬ গৰাকী পৰীক্ষাৰ্থীয়ে দ্বিতীয় স্থানত উত্তীৰ্ণ হয়। কালি বিদ্যালয়খনৰ উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জ্ঞাপন কৰে বিদ্যালয় কৰ্তৃপক্ষই। ইয়াৰ উপৰি বৃহত্তৰ খাৰুপেটীয়া অঞ্চলৰ অন্যান্য ব্যক্তিগত খণ্ডৰ বিদ্যালয় প্ৰাইম ইনষ্টিটিউট, আজাদ জাতীয় বিদ্যালয়, ৰয়েল একাডেমী, দৰং জাতীয় বিদ্যালয়ে উৎকৃষ্ট ফলাফল দেখুৱাবলৈ সক্ষম হয়।

# সাংবাদিক শৈলেন বৰ্মনক নবীন চন্দ্ৰ তামুলী সোঁৱৰণী বঁটা প্ৰদান

**ই সংবাদ, বৰমা, ১৩ এপ্ৰিলঃ** সুস্বাস্থ্য হ'ল সুখী জীৱনৰ মূল ভেটি, কিয়নো ভাল স্বাস্থ্য অবিহনে মানুহে জীৱনৰ কোনো দিশতে সম্পূৰ্ণভাৱে সুখী হ'ব নোৱাৰে।আমি সুস্থ জীৱন যাপনৰ বাবে বা সুস্বাস্থ্যৰ বাবে সঠিক খাদ্য, নিয়মিত ব্যায়াম, পৰ্যাপ্ত বিশ্ৰাম, মানসিক চাপ হ্ৰাস কৰাৰ প্ৰয়োজন। আমি নিজৰ শৰীৰটোত বেমাৰ নোহোৱাকৈ কেনেকৈ ৰাখিব পাৰো সেইটোত অধিক গুৰুত্ব দিব লাগে। মানুহৰ স্বাস্থ্য ভালে থাকিলে বিভিন্ন কাম-কাজ কৰাত সক্ষম হৈ থাকে। ফলত মানুহ সুখী হৈ থাকে। এই মন্তব্য বিশিষ্ট চিকিৎসক তথা নৱদ্বীপ হাস্পতাল নলবাৰীৰ স্বাস্থ্য সঞ্চালক ডাঃ হিতেশ শৰ্মাৰ। হোমিঅ' চিকিৎসাৰ আৱিষ্কাৰক ডাঃ চেমুৱেল হ্যানিমানৰ ২৭০ সংখ্যক জন্ম জয়ন্তী উপলক্ষে আজি নলবাৰী জিলাৰ টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এছ'চিয়েচনৰ উদ্যোগত আৰু যমুনাট্টাৰী গাঁও উন্নয়ন সমিতিৰ সহযোগত যমুনাট্টাৰী ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত স্বাস্থ্য সজাগতা সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ দি বিশিষ্ট চিকিৎসক হিতেশ শৰ্মাই পুনৰ কয় যে মানুহৰ হঠাৎ মৃত্যু হোৱাৰ আটাইতকৈ ডাঙৰ কাৰণটো হৈছে হাৰ্ট এটেক। ভাৰতবৰ্ষত প্ৰতি চাৰি মিনিটত এগৰাকী লোকৰ ষ্ট্ৰোকত মৃত্যু হ'য়। ষ্ট্ৰোকৰ এটা মুখ্য কাৰণ হ'ল মধুমেহ ৰোগ। মধুমেহ ৰোগীৰ ক্ষেত্ৰত ষ্ট্ৰোকৰ সম্ভাৱনা যথেষ্ট বেছি। উচ্চ ৰক্তচাপ থাকিলে ইয়াৰ সম্ভাৱনা আৰু অধিক বৃদ্ধি পায়। লগতে মেদবহুলতা,মানসিক চাপ, নিদ্ৰাহীনতা ষ্ট্ৰোকৰ একো একোটা মুখ্য কাৰণ। টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এছ'চিয়েচনৰ সভাপতি অজিত কুমাৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকি উত্তৰ-পূব কৰ্কট চিকিৎসালয় আৰু গৱেষণা প্ৰতিষ্ঠান, গুৱাহাটীৰ অধ্যক্ষ তথা নৱদ্বীপ হাস্পতাল নলবাৰীৰ অধ্যক্ষ গণেশ তামুলীয়ে উল্লেখ কৰে যে বৰ্তমান সময়ত জীৱনশৈলীৰ পৰিৱৰ্তনেই ৰোগৰ মূল কাৰণ। জীৱনশৈলী সঠিকভাৱে চলালে ৰোগৰ পৰা মুক্ত হৈ থাকিব পাৰি। কেঞ্চাৰ মানে মৃত্যু নহয়, বহু লোক কেঞ্চাৰৰ চিকিৎসাৰ জৰিয়তে সুস্থ হৈ উঠে। সভাত গণেশ তামুলীয়ে তেখেতৰ পিতৃ প্ৰয়াত নবীন চন্দ্ৰ তামুলীৰ সোঁৱৰণত সাংবাদিকসকলৰ মাজত প্ৰদান কৰি অহা বঁটা এইবাৰ দীৰ্ঘদিন ধৰি সততা, নিষ্ঠা আৰু সাহসিকতাৰে সংবাদ সেৱাৰ জৰিয়তে সমাজসেৱা কৰি অহাৰ লগতে বিভিন্ন সমাজহিতকৰ কাৰ্যত জড়িত হৈ অহা গোৰৱাদল নিৱাসী প্ৰাক্তন ছাত্ৰ নেতা, যুৱ সমাজকৰ্মী তথা "নিয়মীয়া বাৰ্তা" কাকতৰ সাংবাদিক, টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এছ'চিয়েচনৰ সহঃ সম্পাদক সাংবাদিক শৈলেন বৰ্মনক আনুষ্ঠানিকভাৱে প্ৰদান কৰে। বঁটা হিচাপে সাংবাদিক বৰ্মনক এখন ফুলাম গামোচা, এটি ফুলাম জাপি, আমেৰিকান মানিবেগ এটি, এখন মানপত্ৰ আৰু নগদ দহ হাজাৰ টকা আগবঢ়ায়। জনপ্ৰিয় শিল্পী-গীতিকাৰ হেমন্ত তালুকদাৰে পৰিৱেশন কৰা আৰম্ভণী গীতেৰে আৰম্ভ কৰা সভাখন টিহু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰেশ ভড়ালীয়ে শুভ উদ্বোধন কৰি কয় যে দেহা থাকিলেহে বেহা। সুশৃংখল জীৱনে এটা পৰিপাটি জীৱন দিয়ে। বৰ্তমান যুৱ প্ৰজন্মৰ জীৱনশৈলীৰ পৰিৱৰ্তন হৈছে। আজিৰ নৱ প্ৰজন্মই নিশা দেৰিকৈ শোৱে আৰু পুৱা দেৰিকৈ উঠে। এয়া স্বাস্থ্যৰ বাবে ভাল লক্ষণ নহ'য়। টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এছ'চিয়েচনৰ উপদেষ্টা দিবাকৰ মেধিয়ে আঁত ধৰা আৰু টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এছ'চিয়েচনৰ সম্পাদক কুমুদ বৰ্মনে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত বিশিষ্ট চিকিৎসক, লেখক তথা জালাহ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসা বিষয়া ডাঃ প্ৰাণকান্ত ভট্টাচাৰ্যই ডাঃ চেমুৱেল হ্যানিম্যানৰ জীৱনৰ বিষয়ে আৰু হোমিঅ'পেথিৰ উপকাৰিতাৰ ওপৰত আলোকপাত কৰাৰ লগতে ঘৰুৱা পৰিৱেশ শিশুৰ স্বাস্থ্যৰ বাবে অতি গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰে। গোলাগাঁও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসা বিষয়া ডাঃ নাৰায়ণ দাস, বৃহত্তৰ যমুনাট্টাৰী অঞ্চলৰ দুই শতাধিক নাগৰিক, টিহু সাহিত্য সভাৰ সভাপতি ড° সুৰজিত বৰ্মন, টিহু ৰাস আৰু দুৰ্গা মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি শংকৰ কুমাৰ দাস, টিহু আঞ্চলিক উন্নয়ন সমিতিৰ সভাপতি কৰুণা কলিতা, স্বাস্থ্য সজাগতা সভাৰ আদৰণী সমিতিৰ সভাপতি যোগেন্দ্ৰ বৰ্মন, সম্পাদক মধুসুধন কলিতাৰ লগতে বহু কেইগৰাকী বিশিষ্ট ব্যক্তি আৰু বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে সভাখনত অংশ গ্ৰহণ কৰে। আনফালে সভাখনৰ পূৰ্বে ডাঃ হ্যানিমানৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন, মাল্যাৰ্পণ আৰু তৰ্পণ কৰে ক্ৰমে কৰুণাকান্ত কলিতা, হৰেন্দ্ৰ নাথ দাস আৰু জ্যেষ্ঠ নাগৰিক খগেন কলিতাই।

## মৰিগাঁৱত ভাৰত চৰকাৰৰ কৃষি আৰু কৃষক মন্ত্ৰালয়ৰ যুটীয়া সচিব

# উচ্চস্তৰীয় দলে পৰিদৰ্শন কৰিলে মৰিগাঁও জিলা

**ই-সংবাদ, লাহৰীঘাট, ১৩ এপ্ৰিলঃ** ভাৰত চৰকাৰৰ কৃষি আৰু কৃষক মন্ত্ৰালয়ৰ এটা উচ্চস্তৰীয় দলে শনিবাৰে মৰিগাঁও জিলা পৰিদৰ্শন কৰে। ভাৰত চৰকাৰৰ কৃষি আৰু কৃষক মন্ত্ৰালয়ৰ যুটীয়া সচিব ফ্ৰেংকলিন জেদ খৌবাই (Franklin Z Khobuy)ৰ নেতৃত্বত অহা দলটোৱে জাগীৰোড কৃষি চক্ৰৰ অন্তৰ্গত আমলিঘাট বানানা প্ৰডিউচাৰ কোম্পানী পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ছোৱাত দলটোৱে কৃষক উৎপাদক গোটৰ সদস্য আৰু বিষয়ববীয়াসকলৰ সৈতে উৎপাদিত কলৰ পৰা প্ৰস্তুত কৰা চিপছ, বজাৰ সংযোজন, ব্যৱসায়ৰ লাভালাভ, সমস্যা আৰু ইয়াৰ সমাধান, বিভাগীয় আঁচনিৰ লাভালাভ আদি প্ৰসংগত মত বিনিময় কৰে। ইয়াৰ লগতে অৰ্গেনিক কৃষি পদ্ধতিৰ জৰিয়তে কৃষকসকল অধিক লাভান্বিত হোৱাৰ ক্ষেত্ৰত মত পোষণ কৰি মৰিগাঁৱত অৰ্গেনিক খেতিৰ সম্ভাৱনীয়তা আৰু ইয়াৰ প্ৰসাৰৰ উদ্দেশ্য সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক নিৰ্দেশনা প্ৰদান কৰে। পৰিদৰ্শনৰ সময়ছোৱাত প্ৰতিনিধি দলটোত ভাৰত চৰকাৰৰ অৰ্গেনিক কৃষিৰ সঞ্চালক, অসম চৰকাৰৰ উদ্যান শস্য আৰু খাদ্য সংসাধন বিভাগৰ সঞ্চালক নৃপেন দাস, গাণনিক বিষয়া (ভাৰত চৰকাৰ), ছিকিম অৰ্গেনিক ফাৰ্মিং এজেঞ্চীৰ মূখ্য কাৰ্যবাহী বিষয়াৰ লগতে MOvCD আঁচনিৰ অসম চৰকাৰৰ ৰাজ্যিক ন'ডেল বিষয়া আৰু ত্ৰিপুৰা আৰু ছিকিমৰ ৰাজ্যিক ন'ডেল বিষয়াৰ উপৰি কৃষি সঞ্চালকালয়ৰ বিষয়া মৌস্তাকিম হুছেইন উপস্থিত থাকে। জিলা কৃষি বিষয়া অশোক কুমাৰ শৰ্মাৰ সঞ্চালনাত পৰিদৰ্শনকাৰী দলটোৱে ইয়াৰ পিছতে দেওশাল মহিলা এগ্ৰ' অৰ্গেনিক প্ৰডিউচাৰ কোম্পানী পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। পৰিদৰ্শনৰ সময়ত কৃষক উৎপাদক গোটৰ মহিলা সদস্যসকলৰ সৈতে গোটৰ উৎপাদন আৰু উপাৰ্জন, সদস্যাসকলে সন্মুখীন হোৱা বিভিন্ন সমস্যা আৰু ইয়াৰ পৰিত্ৰাণ সন্দৰ্ভত আলোকপাত কৰে। পৰিদৰ্শনৰ সময়ছোৱাত দলটোক মৰিগাঁও জিলা কৃষি বিভাগৰ মহকুমা কৃষি বিষয়া গৌতম নাথৰ লগতে সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীসকলে সংগ দিয়ে।

# ৰাজ্যবাসীলৈ বিহুৰ ওলগ ৰিতেশ ইংহিৰ

**ই-সংবাদ, হাওৰাঘাট, ১৩ এপ্ৰিলঃ** আজি ব'হাগ বিহুৰ উৰুকা। কাইলৈ গৰু বিহু। শেষৰ সাতদিনত আকৌ চেৰা বিহু। চাওঁতে চাওঁতে চোতাল আহি পালেহি হেঁপাহৰ বাপতিসাহন ৰঙালী বিহু। তেনে প্ৰাকক্ষণত সমাজৰ প্ৰতিগৰাকী ব্যক্তিক অসমীয়া নৱবৰ্ষ আৰু হেঁপাহৰ ৰঙালী বিহুৱে কঢ়িয়াই আনক সুখ, শান্তি, সমৃদ্ধি, সকলোৰে আশা-আকাংক্ষা আৰু সু-স্বাস্হ্যৰ অধিকাৰী আদি পূৰণ হোৱাৰ হেতুকে নেদেখা জনৰ ওচৰত প্ৰাৰ্থনা জনায় কাৰ্বি আংলং স্বায়ত্তশাসিত জিলা পৰিষদৰ পৰ্যটন আৰু জলসম্পদ বিভাগৰ কাৰ্যবাহী সদস্য তথা নমাটি পৰিষদীয় সমষ্টিৰ এম এ চি ৰিতেশ ইংতিৰ লগতে ডেনগাঁও নগৰ সমিতিৰ অধ্যক্ষ প্ৰদীপ ইংতিয়ে। ইতিমধ্যে ৰাজ্যজুৰি ৰঙালীৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে।



### সত্য গোহাঁই

**সভাপতি, সদৌ অসম মটক যুৱ-ছাত্ৰ পৰিষদ**

সম্প্ৰীতিৰ বিনন্দীয় ৰূপেৰে সমৃদ্ধ অসমখনৰ প্ৰতিটো জাতি-ধৰ্মৰ লোকৰ মনত এতিয়া কেৱল ৰঙালীৰ উছাহ। কোনো নেতাৰ উদ্দেশ্যপ্ৰণোদিত সাম্প্ৰদায়িকতাৰ জুইয়ে দহিব নোৱাৰা অসমীয়া বৃহত্তৰ জাতিটোলৈ ৰঙালী বিহুৰ অলেখ শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

# বংশৰ, পছৰীয়াত সাতদিনীয়া বিহু কৰ্মশালাৰ সামৰণি

**ই-সংবাদ, শুৱালকুছি, ১৩ এপ্ৰিলঃ** কামৰূপৰ বংশৰ মিনি ষ্টেডিয়ামত ২নং পূব বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত সাতদিনীয়াকৈ অনুষ্ঠিত বিহু নৃত্যৰ কৰ্মশালাৰ আজি সামৰণি পৰে। প্ৰথম দিনা এই বিহুৰ কৰ্মশালা উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যালয় সম্পাদক ভৰজ্যোতি ডেকাই। কৰ্মশালা উপলক্ষে অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নয়নজ্যোতি বণিয়াই। নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি নৱজ্যোতি দাস, সাধাৰণ সম্পাদক তোফিকুৰ ৰহমান, উপ-সভাপতি সুৰজিৎ কলিতা, সহঃ সাধাৰণ সম্পাদক তপন দাস, সাংগঠনিক সম্পাদক ৰাজকুমাৰ দাস, সাংস্কৃতিক সম্পাদক ৰুবুল কলিতা, প্ৰাক্তন আছু নেতা মৃণাল কুমাৰ ডেকা শৰণীয়া , অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰাক্তন আছু নেতা অতুল চন্দ্ৰ বৈশ্য , বিশিষ্ট যুৱ ব্যৱসায়ী, পংকজ বৈশ্য, নৱ বৈশ্য, হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি প্ৰাণজিৎ দেউৰীয়া, ২নং পুব বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা বিকংক দাস। বিহু নৃত্যৰ কৰ্মশালাত উপস্থিত থাকে অহা ৯ মে'ত মুক্তি পাবলগীয়া অসমীয়া ছবি 'কেছটো নগেন'ৰ পৰিয়ালৰ জনপ্ৰিয় অভিনেতা সিদ্ধাৰ্থ মুখাৰ্জী, অতুল পাচনি আদি। এই কৰ্মশালাত অঞ্চলটোৰ তিনি শতাধিক শিক্ষাৰ্থীয়ে বিহু নাচৰ প্ৰশিক্ষণ লয়। প্ৰশিক্ষণ প্ৰদান কৰে লখিমপুৰ জিলাৰ ৰংমন বিহু হুঁচৰি দলৰ প্ৰশিক্ষক পূজা নেওগ, শৰৎ ভূঞা, পাখি বৰা, নিজুমণি নেওগ আৰু সচিদানন্দ বৰুৱাই। কৰ্মশালাৰ সামৰণী অনুষ্ঠানত সংগীত পৰিবেশন কৰে জনপ্ৰিয় কণ্ঠশিল্পী অৰুন্ধতী ভানুপ্ৰিয়াই। আনহাতে কৰ্মশালাত পুৱ বংশৰ অঞ্চলৰে যুৱক ভিক্টৰ দাসে কেইবাটাও জনপ্ৰিয় গীত পৰিবেশ কৰে। কৰ্মশালাত অংশ গ্ৰহণ কৰা প্ৰশিক্ষক আৰু শিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰা হয়। আনহাতে বৃহত্তৰ পছৰীয়া হিতসাধিনী সভাৰ উদ্যোগত পছৰীয়া কুশল কোঁৱৰ উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত হৈ থকা বিহুনৃত্য আখৰাৰ আজি সামৰণি পৰে। সামৰণী অনুষ্ঠানত বিশিষ্ট কণ্ঠশিল্পী ববিতা শৰ্মাৰ লগতে মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী, নৃপেন ডেকাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। কৰ্মশালত প্ৰায় তিনি শতাধিক ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে।



### ৰূপম কোঁচ

**নেতা, সদৌ কোঁচ-ৰাজবংশী ছাত্ৰ সন্থা**

ব'হাগ মাথো এটা ঋতু নহয়, এই ব'হাগ আমাৰ প্ৰতিজন অসমীয়াৰ স্বাভিমান। এইবেলিৰ ৰঙালীয়ে সমৃদ্ধ কৰক অসমীয়াৰ স্বাভিমান। সকলোকে বিহুৰ শুভেচ্ছা জ্ঞাপন কৰিছোঁ।



### চফি আলম খান

**সমাজকৰ্মী, ডিকম, ডিব্ৰুগড়**

এইবেলিৰ ব'হাগ ব্যতিক্ৰম হৈ উঠক। ব'হাগৰ বিহুটিয়ে দূৰ কৰক হিংসা, সংঘাত, বিভৎসতা। ৰঙালীয়ে সকলোৰে মনত সুখৰ ৰং সিঁচক, তাৰেই কামনাৰে হৃদয়ভৰা শুভেচ্ছা জনালো।



### যুগল বৰুৱা

**কাৰ্যকৰী সভাপতি, অসমীয়া যুৱ মঞ্চ**

অসমীয়াৰ বাপতিসাহোন ব'হাগ বিহুটি আকৌ আহি পালে। বিহুৰ এই আনন্দমুখৰ ক্ষণত সকলোৰে হৃদয়ৰে বওক সুখ আৰু শান্তিৰ সুঁতি। এই বহাগতে এখন নতুন সমাজ গঢ়ি উঠাৰ কামনাৰে সমগ্ৰ অসমবাসীক ৰঙালীৰ ওলগ জনালো।

# ৰাংছিনা মহাবিদ্যালয়ত ৭ দিনীয়া বিশেষ শিবিৰৰ সামৰণি

**ই-সংবাদ, হাওৰাঘাট, ১৩ এপ্রিলঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ অন্তৰ্গত ডংকামোকাম ৰাংছিনা মহাবিদ্যালয়ত কাৰ্যক্ৰম অধিকাৰী গীতা থাওচেনৰ পৰিচালনাত ৭ এপ্ৰিলৰ পৰা অনুষ্ঠিত কৰা ৰাষ্ট্ৰীয় সেৱা যোজনাৰ সাতদিনীয়া বিশেষ শিবিৰৰ কাৰ্যসূচীৰ সামৰণি পৰিছে। এই শিবিৰত ৫৩ জন স্বেচ্ছাসেৱক-সেৱীকাই অংশ গ্ৰহণ কৰে । আজি সামৰণি পৰা ৰাষ্ট্ৰীয় সেৱা যোজনাৰ কাৰ্যসূচী ৭ এপ্ৰিলৰ পুৱা সৰ্বধৰ্ম প্ৰাৰ্থনাৰে আৰম্ভ কৰা হৈছিল। মহাবিদ্যালয়খনৰ তোলনীয়াগাঁও, চাৰুগাঁও অঞ্চলত সমুহীয়া চাফাইৰ লগতে বিভিন্ন সজাগতামূলক তথা জনজাগৰণমূলক কাৰ্যসূচী এই কেইদিনত ৰূপায়ণ কৰা হয়। ইয়াৰ ভিতৰত চাৰুগাঁও প্ৰাথমিক বিদ্যালয়, ডংকামোকাম উচ্চতৰ মাধ্যমিক বিদ্যালয় তথা চিৰিমোকাম প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শিক্ষাৰ প্ৰয়োজনীয়তা, চাফ-চিকুণতা, পৰিমিত আহাৰ তথা পোষণ, সহজ যোগাভ্যাস, খেল-ধেমালি, কবিতা পাঠ, গীত-নৃত্যৰ আয়োজন কৰা হয়। সজাগতামূলক কাৰ্যসূচীৰ ভিতৰত ড্ৰাগছ তথা বাল্যবিবাহৰ বিৰুদ্ধে অভিযান, পথ দুৰ্ঘটনা তথা প্ৰতিৰোধৰ বাবে ৰেলী, যোগৰ সহায়ত শাৰীৰিক তথা মানসিক বিকাশ, প্লাষ্টিক প্ৰদূষণৰ ভয়াৱহতা আৰু প্ৰতিৰোধৰ উপায় হিচাপে সাপ্তাহিক বজাৰত পুনৰ ব্যৱহাৰযোগ্য মোনাৰ বিতৰণ ইত্যাদি সম্পন্ন কৰা হয়। শেষৰ দিনা অৰ্থাৎ আজি মহাবিদ্যালয়ৰ সকলোৰে উপস্থিতিত মানপত্ৰ প্ৰদান কৰে অধ্যক্ষ দেৱেন শইকীয়াই।

# তিনিচুকীয়াৰ ২২ জিলা পৰিষদৰ বাবে ৬৭ খন মনোনয়ন-পত্ৰ দাখিল

**ই-সংবাদ, তিনিচুকীয়া, ১৩ এপ্ৰিলঃ** তিনিচুকীয়া জিলাৰ পঞ্চায়ত নিৰ্বাচনৰ বাবে মনোনয়ন-পত্ৰ পৰীক্ষাৰ অন্তত জিলা পৰিষদৰ ২২ খন আসনৰ বাবে দাখিল কৰা মুঠ ৬৭ জন প্ৰাৰ্থীৰ আটাইকেইখন মনোনয়ন বৈধ পোৱা গৈছে। প্ৰতিখন আসনৰ বিপৰীতে দুই বা ততোধিক মনোনয়ন দাখিল হৈছে। ইয়াৰ বিপৰীতে আঞ্চলিক পঞ্চায়তৰ বাবে দাখিল হোৱা মুঠ ২০৫ খন মনোনয়ন বৈধ পোৱা গৈছে। আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ বাবে দাখিল হোৱা মুঠ ৭ খন মনোনয়ন বিভিন্ন কাৰণত নাকচ কৰা হ'য়। আঞ্চলিক পঞ্চায়তৰ সদস্যৰ মুঠ ৮৬ খন আসনৰ বিপৰীতে হ'বলগীয়া এই নিৰ্বাচনত মুঠ ৭ খন আসনত কেৱল এজন মাত্ৰ প্ৰাৰ্থীয়ে আবেদন কৰাত সেই আসন কেইখনত ভোটগ্ৰহণৰ সম্ভাৱনা ক্ষীণ হৈ পৰিছে। সেইসমূহ হ'ল ক্ৰমে মাৰ্ঘেৰিটা আঞ্চলিকৰ অন্তৰ্গত লিডু আৰু কুমাৰপট্টি গাঁও পঞ্চায়ত, ডুমডুমা আঞ্চলিকৰ বান্দৰখাটি, দীঘলতৰং আৰু দৈদাম আৰু ডিগবৈ আঞ্চলিকৰ ব্ৰহ্মজান গাঁও পঞ্চায়ত।

# কলগাছিয়া জিলা পৰিষদত প্ৰত্যক্ষ যুঁজত কংগ্ৰেছ-ইউডিএফ

**ই-সংবাদ, কলগাছিয়া, ১৩ এপ্ৰিলঃ** মন্দিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত ৮ নং কলগাছিয়া জিলা পৰিষদ সমষ্টিত নিৰ্বাচনী তৎপৰতা বৃদ্ধি পাইছে। এইক্ষেত্ৰত কংগ্ৰেছৰ ময়নুল হক আৰু এ আই ইউ ডি এফৰ খন্দকাৰ জাকিৰ হুছেইনে মনোনয়ন-পত্ৰ দাখিল কৰিছে বুলি জানিব পৰা গৈছে। এতিয়া সৰ্বসাধাৰণ ভোটাৰ ৰাইজৰ মাজত চৰ্চা আৰম্ভ হৈছে। কোন হ'ব ৮ নং কলগাছিয়া জিলা পৰিষদৰ পৰৱৰ্তী সদস্য। কংগ্ৰেছৰ ময়নুল হক নে এ আই ইউ ডি এফৰ খন্দকাৰ জাকিৰ হুছেইন। অৱশ্যে সমষ্টিটো দখল কৰিবলৈ হ'লে এই মুহূৰ্তলৈ কাৰো বাবে সহজ নহ'ব বুলি হাটে-বজাৰে চৰ্চা আৰম্ভ হৈছে । যোৱা লোকসভা নিৰ্বাচনত এ আই ইউ ডি এফৰ সাংগঠনিক ভেটি একেবাৰে দুৰ্বল হৈ পৰিছিল যদিও লোকসভা নিৰ্বাচন পাৰ হৈ যোৱাৰ পিছত দলটোৰ শক্তি লাহে লাহে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। অসমৰ বিভিন্ন জিলাত কংগ্ৰেছৰ প্ৰাৰ্থী বাছনিত ধনৰ লেনদেন হোৱাৰ অভিযোগ উথাপিত হৈছে। এইক্ষেত্ৰত কংগ্ৰেছৰ নেতৃত্বতৰ বিৰুদ্ধে ভোটাৰ ৰাইজ তীব্ৰ ক্ষোভ প্ৰকাশ কৰা দেখা গৈছে। এইক্ষেত্ৰত কলগাছিয়া জিলা পৰিষদত কংগ্ৰেছৰ প্ৰাৰ্থী ময়নুল হক প্ৰবল প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব বুলি সাধাৰণ ভোটাৰ ৰাইজে ধাৰণা কৰিছে। মুঠতে কলগাছিয়া জিলা পৰিষদত কংগ্ৰেছ আৰু ইউ ডি এফৰ মাজত মূল যুঁজ তীব্ৰতৰ হোৱাটো একপ্ৰকাৰ খাটাং হৈ পৰিছে । অৱশ্যে সমষ্টিটোত বিজেপিৰ ফাহমিদা খান আৰু চিপি আই এমৰ মনোনীত প্ৰাৰ্থী তথা সাংবাদিক শ্বহিদুল ইছলামেও মনোনয়ন-পত্ৰ দাখিল কৰি নিৰ্বাচনী দৌৰত অৱতীৰ্ণ হৈছে। পৰৱৰ্তী সময়ত ৮ নং কলগাছিয়া জিলা পৰিষদৰ ৰাজনৈতিক প্ৰেক্ষাপট কোনফালে গতি কৰে সেয়া হ'ব লক্ষণীয়।

# নিজা শৌচালয় নথকাৰ বাবে মনোনয়ন বাতিলৰ দাবী উত্থাপন প্ৰাৰ্থীৰ বিৰুদ্ধে

**ই-সংবাদ, গোলকগঞ্জ, ১৩ এপ্ৰিলঃ** শৌচালয়ে কাল হোৱাৰ উপক্ৰম হৈছে পঞ্চায়ত সদস্য পদত মনোনয়ন দাখিল কৰা একাংশ প্ৰাৰ্থীৰ। আছাম পঞ্চায়ত (কনষ্টিটিউচন) ৰুল ১৯৯৫ৰ (৩) ক ধাৰা মতে পঞ্চায়ত প্ৰতিনিধিৰ বাবে মনোনয়ন দাখিল কৰা প্ৰাৰ্থীৰ নিজা পৰিষ্কাৰ আৰু কাৰ্যক্ষম শৌচালয় থকাটো বাঞ্চনীয়। আগমনি খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত মনোনয়ন দাখিল কৰা দুগৰাকী পঞ্চায়ত সদস্য পদৰ প্ৰাৰ্থীৰ নিজা শৌচালয় নথকাৰ বাবে মনোনয়ন বাতিল কৰাৰ ইতিমধ্যে লিখিত অভিযোগ উত্থাপন হৈছে। ইপিনে অভিযোগ উত্থাপন হোৱাত নিশাৰ ভিতৰত শৌচালয় নিৰ্মাণ কৰাৰ আন এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। জানিব পৰা মতে শিমলাবাৰী গাঁও পঞ্চায়তৰ কৈমাৰী দ্বিতীয় খণ্ড গাঁৱৰ ৭ নং ৱাৰ্ডৰ গ শাখাৰ সদস্য পদৰ বাবে মৃন্ময় কুমাৰ মণ্ডল আৰু অমৃত চন্দ্ৰ ৰায়ে মনোনয়ন দাখিল কৰে। কিন্তু মৃন্ময় আৰু অমৃতৰ ঘৰত কোনো পৰিষ্কাৰ শৌচালয় নথকাৰ অভিযোগ উত্থাপিত হৈছে। অসম পঞ্চায়তৰ নিয়মানুসৰি তেওঁলোক দুজনৰ মনোনয়ন বাতিল কৰাৰ বাবে যোৱা ৯ এপ্ৰিলত একে ৱাৰ্ডৰ প্ৰসন্ন কুমাৰ ৰায়ে আগমনি উন্নয়ন খণ্ডৰ নিৰ্বাচনী বিষয়াক এখন লিখিত আবেদন জনায়। ইপিনে অভিযোগৰ চৰজমিন তদন্তৰ পূৰ্বে যোৱানিশা খৰধৰ কৰি দুয়োজনে নতুনকৈ শৌচালয় নিৰ্মাণ কৰা বুলি স্থানীয় ৰাইজে মুকলি অভিযোগ তুলিছে। আনহাতে জহিৰুল ইছলামৰ পত্নী ফাতেমা খাতুন বটেৰহাট গাঁও পঞ্চায়তৰ কৈমাৰী সপ্তম খণ্ড গাঁৱৰ স্থায়ী বাসিন্দা। একমাত্ৰ নিৰ্বাচনী বৈতৰণী পাৰ হোৱাৰ স্বাৰ্থতে শিমলাবাৰী গাঁও পঞ্চায়তৰ কৈমাৰী ষষ্ঠ খণ্ড গাঁৱৰ সদস্যা পদৰ বাবে মনোনয়ন দাখিল কৰে। তেওঁ গাঁওখনৰ স্থায়ী বাসিন্দা নোহোৱাৰ লগতে নিৰ্দিষ্ট ঘৰটোত শৌচালয় নাই বুলি একে গাঁৱৰে নিখিল চন্দ্ৰ ৰায়ে কালি আগমনি উন্নয়ন খণ্ডৰ নিৰ্বাচনী বিষয়াক লিখিত অভিযোগ প্ৰদান কৰি মনোনয়ন বাতিল কৰাৰ দাবী জনায়। ইপিনে কৈমাৰী ষষ্ঠ খণ্ড গাঁৱত নিজৰ ঘৰ বুলি উল্লেখ কৰা ঘৰটোত ফাতেমা খাতুন যুদ্ধংদেহী তৎপৰতাৰে নিশাৰ ভিতৰত শৌচালয় নিৰ্মাণ কৰাৰ ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। সমগ্ৰ ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্ত কৰি ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে স্থানীয় ৰাইজে।

## মহাপুৰুষৰ জন্মভূমি বটদ্ৰৱাৰ শান্তিজানত উথপথপ পৰিৱেশ

# মুকলি কৰা হ'ল নৱনিৰ্মিত 'পদ গোপাল' ঘাট

**ই-সংবাদ, বেৰেজীয়া, ১৩ এপ্ৰিলঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাৰ ঐতিহাসিক শান্তিজানৰ তীৰত দেওবাৰে পুৱাতেই এটি নৱনিৰ্মিত ঘাট ৰাইজৰ বাবে মুকলি কৰা হয়। অসমীৰ বাপতিসাহোন ৰঙালী বিহুৰ হেঁপাহৰ উৰুকাৰ দিনাই বটদ্ৰৱাৰ শ'লগুৰি সত্ৰৰ ভকত, জেষ্ঠ নাগৰিক তথা অৱসৰপ্ৰাপ্ত সৈনিক গোপাল চন্দ্ৰ কলিতাই তেওঁৰ পিতৃ পদৰাম নামলগোৱা আৰু মাতৃ পদ্মেশ্বৰী কলিতাৰ সোঁৱৰণত আটকধুনীয়াকৈ নিৰ্মাণ কৰি তোলা ঘাটটো মুকলি কৰে বটদ্ৰৱাৰ শ'লগুৰি সত্ৰৰ ডেকা সত্ৰাধিকাৰ ইন্দ্ৰকান্ত মহন্তই। আয়তীৰ উৰুলি আৰু হৰিনামৰ মাংগলিক ধ্বনিৰ মাজেৰে ফিতা কাটি আৰু নাৰিকল ভাঙি ঘাটতো মুকলি কৰি সত্ৰাধিকাৰ ইন্দ্ৰকান্ত মহন্তই মহাপুৰুষ শংকৰদেৱ আৰু সতী ৰাধিকাৰ স্মৃতিবিজড়িত ঐতিহ্যমণ্ডিত শান্তিজান নৈৰ পাৰত ৰাইজৰ বাবে ঘাটটো নিৰ্মাণ কৰা গোপাল চন্দ্ৰ কলিতাক শুভাশিস প্ৰদান কৰি ঘাটতো 'পদ গোপাল' হিচাপে নামকৰণ কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত সমাজসেৱী তৰুলতা কলিতা, নৰহৰি কলিতা, ইলা কলিতা, খগেন কলিতা, ৰীণা কলিতা, হৰেণ চন্দ্ৰ কলিতা, হিমা বৰাকে প্ৰমুখ্য কৰি বহুকেইজন বিশিষ্ট ব্যক্তিৰ লগতে পৰিয়ালবৰ্গ, ভকত-বৈষ্ণৱ, আইমাতৃসকল আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। অনুষ্ঠানটোৱে অঞ্চলটোত সুমধুৰ পৰিৱেশৰ সৃষ্টি কৰে।

# বাণীপুৰ মইনা পাৰিজাতত ব'হাগী আদৰণী অনুষ্ঠানৰ আয়োজন

**ই-সংবাদ, ডিব্ৰুগড়, ১৩ এপ্ৰিলঃ** সমগ্ৰ ৰাজ্যখনতে বাপতিসাহোন ৰঙালীক আদৰাৰ প্ৰস্তুতিৰ মাজতে ডিব্ৰুগড়ৰ বাণীপুৰ মইনা পাৰিজাততো 'কপৌফুল ফুলিবৰ বতৰ' শীৰ্ষক এক নৃত্য-গীতৰ অনুষ্ঠান ১২ এপ্ৰিলত উদযাপন কৰা হয়। অনুষ্ঠানত মইনা পাৰিজাতৰ শিশুসকলৰ মাজত 'ক' আৰু 'খ' দুটা শাখাত বক্তৃতা প্ৰতিযোগিতা, বিহুনৃত্য আৰু বিহুনাম প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাৰ বঁটা বিতৰণী অনুষ্ঠানৰ মাজতে বিগত বৰ্ষৰ শ্ৰেষ্ঠ শিক্ষাৰ্থী হিচাপে মইনা নয়ৰীতি বৰুৱা, ৰ'জলিন নেহা আহমেদ আৰু অনুসূয়া গগৈক বিশেষভাৱে পুৰষ্কৃত কৰা হয়। অনুষ্ঠানত অতিথি শিল্পী হিচাপে উপস্থিত থাকি মইনাসকলক বিহুনৃত্য আৰু বিহুনামৰ নিয়ম সম্পৰ্কে বক্তৃতা প্ৰদান কৰে উদীয়মান নৃত্যশিল্পী তথা ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ যুৱবাণীৰ ঘোষক লিজা পাঠকে। অভিভাৱকসকলৰ লগতে অনুষ্ঠানত উপস্থিত থাকে পাৰিজাতৰ উপদেষ্টা অজয় দত্ত আৰু পদ্মা শইকীয়া খনিকৰ। আনহাতে বাণীপুৰ মইনা পাৰিজাত সমিতিৰ হৈ বিষয়ববীয়া ক্ৰমে উপ-সভাপতি জগন্নাথ দুৱৰা, সহঃসম্পাদক দিলীপ ডেকাবৰুৱা, পৰিচালিকা ঊষা দত্ত আৰু বৰ্ণালী মেচ চাংমাই উপস্থিত থাকে। পাৰিজাতৰ সমগ্ৰ অনুষ্ঠানটি পৰিচালনা কৰে সম্পাদক বিষ্ণু গোহাঁয়ে।

## সাতগাঁও শিক্ষা নিকেতনত এশ শতাংশ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ

**ই-সংবাদ, বাইহাটা চাৰিআলি, ১৩ এপ্ৰিলঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত এইবেলি কামৰূপ জিলাৰ সাতগাঁও শিক্ষা নিকেতনৰ পৰা অৱতীৰ্ণ ১৮ গৰাকী ছাত্ৰ-ছাত্ৰীৰ আটাইকেইগৰাকীয়ে সুখ্যাতিৰে উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। সাতগাঁও শিক্ষা নিকেতনৰ অধ্যক্ষ আতোৱাৰ ৰহমানে অৱগত কৰা মতে মুঠ ১৮ গৰাকীৰ এগৰাকী ছাত্ৰীয়ে ৫ টা বিষয়ত লেটাৰসহ ডিষ্টিংচন পোৱাৰ লগতে ৫ গৰাকী ছাত্ৰ-ছাত্ৰী কেইবাটাও বিষয়ত লেটাৰসহ ষ্টাৰ মাৰ্ক লৈ উত্তীৰ্ণ হয়। তদুপৰি ১১ গৰাকী ছাত্ৰ-ছাত্ৰী প্ৰথম বিভাগ আৰু ১ গৰাকী ছাত্ৰ ২য় বিভাগত উত্তীৰ্ণ হয়। বিদ্যালয়ৰ মুঠ ১৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে লেটাৰ মাৰ্ক পাবলৈ সক্ষম হয়।

# সমন্বয় পুথিভঁৰালৰ সপ্তদশ প্ৰতিষ্ঠা দিৱসৰ আয়োজন

**ই-সংবাদ, নলবাৰী, ১৩ এপ্ৰিলঃ** পশ্চিম নলবাৰীৰ অন্যতম বৌদ্ধিক, সাংস্কৃতিক অনুষ্ঠান, বিহামপুৰস্থিত সমন্বয় পুথিভঁৰালৰ ষষ্ঠদশ বৰ্ষপূৰ্তি তথা সপ্তদশ প্ৰতিষ্ঠা দিবস বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলৈ লোৱা হৈছে। মূলতঃ শিশু, কিশোৰ-কিশোৰী আৰু যুৱক-যুৱতীৰ মাজত গ্ৰন্থ অধ্যয়নৰ মানসিকতা গঢ়া, ঐতিহ্যপূৰ্ণ লোক-সংস্কৃতিৰ চৰ্চা আৰু সংৰক্ষণ কৰা, আৰ্থ-সামাজিক আৰু ৰাজনৈতিক ব্যৱস্থাক গণতান্ত্ৰিক দৃষ্টিভংগীৰে চাবলৈ সুস্থ মূল্যবোধ সৃষ্টি কৰা আৰু ধৰ্মনিৰপেক্ষ সমাজ প্ৰতিষ্ঠা কৰাৰ দৰে গুৰুত্বপূৰ্ণ লক্ষ্য আৰু উদ্দেশ্যক লৈ ২০০৮ চনৰ ৬ জুলাইত গঢ়ি উঠা সমন্বয় পুথিভঁৰালে ইতিমধ্যে ১৬ টাকৈ বৰ্ষ অতিক্ৰম কৰিলে । ষষ্ঠদশ বৰ্ষপূৰ্তিৰ অনুষ্ঠান ২৭ এপ্ৰিলত পুথিভঁৰাল প্ৰাংগণত আৰু প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠান ৬ জুলাইত গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিত হ'ব বুলি সাধাৰণ সম্পাদক আবেদুৰ ৰহমানে জনাইছে। ২৭ এপ্ৰিলৰ পুৱা ৮ বজাত পুথিভঁৰালৰ পতাকা উত্তোলন কৰিব পুথিভঁৰালৰ মুখ্য উপদেষ্টা শিল্পী উমেশ দত্তই। ৮.৩০ বজাত গছপুলি ৰোপণ কৰিব জনতা হাইস্কুলৰ প্ৰধান শিক্ষক লতিফুৰ ৰহমান, অসমী হাইস্কুলৰ প্ৰধান শিক্ষক ৰঞ্জিত বৰ্মন আৰু অৱসৰপ্ৰাপ্ত শিক্ষক তথা নাট্য শিল্পী ফাইজুৰ ৰহমানে। ৯.৩০ বজাত পুথিভঁৰালৰ শ্ৰেষ্ঠ পঢ়ুৱৈ বাছনি প্ৰতিযোগিতা আৰু ১০.৩০ বজাত ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণী পৰ্যন্ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ মাজত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিয়লি ৪.৩০ বজাত অনুষ্ঠিত হ'ব পুথিভঁৰাললৈ গ্ৰন্থ আৰু অন্যান্য সামগ্ৰীৰ দাতা আৰু শুভাকাংক্ষীৰ সৈতে অন্তৰংগ আলাপ। অনুষ্ঠানটি সঞ্চালনা কৰিব পুথিভঁৰালৰ সভাপতি, বিশিষ্ট কথাশিল্পী ড° জয়ন্ত কুমাৰ চক্ৰৱৰ্তীয়ে। সন্ধিয়া ৬ বজাত তাজিমুদ্দিন আহমেদ সোঁৱৰণী সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব কামৰূপ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ড° ছাইকী তালুকদাৰে। ৰাষ্ট্ৰীয় বঁটা প্ৰাপক শিক্ষক তাজিমুদ্দিন আহমেদৰ স্মৃতিচাৰণ কৰি বক্তব্য আগবঢ়াব বিশিষ্ট সমাজকৰ্মী কনক পাঠকে। পুথিভঁৰালৰ শিশু আলোচনী 'কলৰৱ' উন্মোচন কৰিব টংলা মহাবিদ্যালয়ৰ অৱসৰী উপাধ্যক্ষা, বিশিষ্ট সাহিত্যিক ড° অঞ্জলী চক্ৰৱৰ্তীয়ে। অনুষ্ঠানত নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কবিতা চৌধুৰী. বিশিষ্ট শিশু চিকিৎসক মনোৰঞ্জন শৰ্মা, চি এফ এম এলৰ ক্ষেত্ৰ প্ৰবন্ধক কন্দৰ্প কলিতা আৰু বিশিষ্ট ছাত্ৰ নেতা নিৰুজ উদ্দিন আহমেদ। সন্ধিয়া ৭ বজাত অনুষ্ঠিত হ'বলগীয়া স্থানীয় উদীয়মান শিল্পীৰ সৈতে চা-চিনাকি, আলাপ তথা সাংস্কৃতিক অনুষ্ঠানত ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত তথ্যচিত্ৰ নিৰ্মাতা গুঞ্জন শৰ্মা, ৰাষ্ট্ৰীয় জলপানিপ্ৰাপ্ত বাঁহীবাদক নিবিড় দেৱশৰ্মা আৰু হৃদয়জিৎ শৰ্মাই অংশগ্ৰহণ কৰিব। নিশা ৮ বজাত অনুষ্ঠিত হ'ব সমন্বয় সুৰ সমদলৰ শিল্পীসকলৰ দ্বাৰা গীত আৰু নৃত্যৰ বৰ্ণাঢ্য অনুষ্ঠান। অনুষ্ঠানটি পৰিচালনা কৰিব অসম চৰকাৰৰ শিল্পী পেঞ্চনপ্ৰাপ্ত বিশিষ্ট সংগীত শিল্পী উমেশ দত্তই। আঁত ধৰিব বিশিষ্ট সাংস্কৃতিক কৰ্মী উদ্ধৱ ঠাকুৰীয়াই। অংশগ্ৰহণ কৰিব ধমধমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ, বিশিষ্ট কণ্ঠশিল্পী অমিয় হাজৰিকা, সন্তোষ চক্ৰৱৰ্তী, প্ৰদীপ ডেকা, দীপক শৰ্মা, সংগীতা তালুকদাৰ ৰহমান আৰু দীপক তালুকদাৰে। নিশা ৯.৩০ বজাত নাট মঞ্চস্থ কৰিব সমন্বয় পুথিভঁৰালৰ শিশু শিল্পীসকলে। ৬ জুলাইত গুৱাহাটী প্ৰেছ ক্লাবত উদ্‌যাপিত হ'ব সমন্বয় পুথিভঁৰালৰ সপ্তদশ প্ৰতিষ্ঠা দিৱস। অনুষ্ঠানত 'জাখৰ' উন্মোচনৰ লগতে বিশেষ বক্তৃতানুষ্ঠান সম্পন্ন হ'ব।

# নিজসৰাবাৰীত জনসংঘ পুথিভঁৰাল প্ৰাংগণত দুদিনীয়াকৈ ৰঙালী বিহুৰ আয়োজন

**ই-সংবাদ, দুনী, ১৩ এপ্ৰিলঃ** ব'হাগ মানেই যেন নতুন আশা-ভৰসা। অসমীয়া ডেকা-গাভৰুৰ মন-প্ৰাণ শিহৰিত কৰি ঋতুক আদৰাৰ উৎকৃষ্ট সময়। অসমীয়া জাতিৰ বাপতিসাহোন হেঁপাহৰ ৰঙালী বিহুটি সকলোৰে যেন হিয়াৰ আমঠু। ঋতুৰাজ বসন্তক আদৰিবৰ বাবে আন বছৰৰ দৰে এইবেলিও ৰঙালী বিহুটি জনসংঘ পুথিভঁৰাল, নিজসৰাবাৰীৰ উদ্যোগত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা হ'ব। ১ আৰু ২ ব'হাগ ইংৰাজী ১৫ আৰু ১৬ এপ্ৰিল, ২০২৫ তাৰিখ মঙলবাৰ আৰু বুধবাৰে অনুষ্ঠিত কৰিবলৈ প্ৰয়াস কৰিছে। প্ৰথম ব'হাগৰ কাৰ্যসূচী ক্ৰমে পুৱা পৰিবেশ নিকাকৰণ, সংঘৰ পতাকা উত্তোলন, বিহুৰ পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, প্ৰতিযোগিতামুলক খেল-ধেমালি অনুষ্ঠিত কৰিব। আবেলি সকলোৰে আকৰ্ষণ ভেশচন প্ৰতিযোগিতাৰ পিছত বন্তি প্ৰজ্বলন আৰু স্থানীয় শিল্পীৰ দ্বাৰা সাংস্কৃতিক সন্ধিয়াৰে দিনটোৰ কাৰ্যসূচীৰ সমাপন পৰিব। দ্বিতীয় দিনা পুৱাৰে পৰা আৰম্ভ হ'বলগীয়া সাহিত্য প্ৰতিযোগিতাৰ পিছত বঁটা প্ৰদান অনুষ্ঠান। ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত থাকি ৰাইজক উদেশ্যি ভাষণ প্ৰদান কৰিব। বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত থাকিব ক্ৰমে ভাৰতীয় জনতা পাৰ্টিৰ দেওমৰনৈ মণ্ডলৰ সভাপতি ভাস্কৰ দিবাকৰ কলিতা, বুঢ়াখাট প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শৰৎ ডেকা আৰু দিঘীৰপাৰৰ প্ৰমোদ শৰ্মা। সন্ধিয়া ৭ বজাত প্ৰদৰ্শনীমূলকভাৱে সাংস্কৃতিক অনুষ্ঠানত পশ্চিম মঙলদৈৰ জেংৰাই আঞ্চলিক বিহু দল, ছিপাঝাৰৰ সাঁচিপাত বিহু দল, মঙলদৈৰ দৰঙী বিহু দল, দেওমৰনৈৰ চেংনাং বিহু হুঁচৰি দল, খটৰাৰ বিহগী বিহু দল, বৰঙ্গাবাৰীৰ জৰফাগ্লা থেঠামালী খেৰাই হানজা দল আৰু গোমোঠাপাৰাৰ নৱমিলন সমন্বয় সাংস্কৃতিক গোষ্ঠীয়ে অংশগ্ৰহণ কৰিব বুলি ৰঙালী বিহু উদযাপন সমিতিয়ে জানিবলৈ দিয়ে। উল্লেখ্য যে অসম চৰকাৰে প্ৰদান কৰা এক লাখ পঞ্চাশ হাজাৰ টকাই বিভিন্ন বিহু উদযাপন সমিতিক উৎসাহ প্ৰদান কৰা বুলি উদযাপন সমিতিৰ বিষয়ববীয়া ক্ৰমে মুকুট নাথ, নীলমণি শৰ্মা, প্ৰতুল ডেকাই জানিবলৈ দিয়ে।

# ড০ দেৱেন চন্দ্ৰ দাসক 'পৰাগজ্যোতি প্ৰকাশন'ৰ সম্বৰ্ধনা

**ই-সংবাদ, গুৱাহাটী, ১৩ এপ্ৰিলঃ** আজি ৰাজ্যখনৰ বৰেণ্য সাহিত্যিক, অনুবাদক, শিক্ষাবিদ, দুবাৰকৈ ৰাষ্ট্ৰপতি বঁটা প্ৰাপক, ভাৰত চৰকাৰৰ চাৰিবাৰকৈ, উত্তৰ প্ৰদেশ চৰকাৰৰ দুবাৰকৈ আৰু অসম চৰকাৰৰ পৰা দুবাৰকৈ ভিন ভিন বঁটা আৰু সন্মান প্ৰাপক ড০ দেৱেন চন্দ্ৰ দাস (সুদামা)ক অসমৰ অগ্ৰণী প্ৰকাশন অনুষ্ঠান "পৰাগজ্যোতি প্ৰকাশন" ৰ পৰা উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। এই উপলক্ষে লেখকগৰাকীৰ জালুকবাৰীৰ সমীপৰ তেঁতেলীয়াস্থিত বাসভৱনত পৰাগজ্যোতি প্ৰকাশনৰ সচিব, সাংবাদিক, কবি দীপক শৰ্মাই আঁত ধৰা সভাত অংশগ্ৰহণ কৰি অসম লোক নিৰ্মাণ বিভাগৰ অৱসৰপ্ৰাপ্ত মুখ্য অভিযন্তা তথা বিশিষ্ট সাহিত্যিক নিশুতি মজুমদাৰে কয়, "বহু ধুমুহা, ঘাত-প্ৰতিঘাত হেলাৰঙে আঁতৰাই ড০ দেৱেন দাসে অতি সন্তৰ্পণে ভাৰতৰ সাহিত্য-শিক্ষা ক্ষেত্ৰত এক মচিব নোৱৰা সাঁচ বহুৱাইছে। ৰাষ্ট্ৰৰ সৰ্বাংগীণ উন্নতিৰ বাবে তেওঁ অহৰহ কাম কৰিছে।" অসম সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদক, "সাহিত্য কোঁৱৰ" কমল কলিতাই সভাত অংশগ্ৰহণ কৰি কয়, "অসমীয়া ভাষাৰ একাধিক গ্ৰন্থ হিন্দীলৈ অনুবাদ কৰা প্ৰথিতযশা অনুবাদক, এজন নিভাঁজ দেশপ্ৰেমিক, জ্ঞান তপস্বী ড০ দেৱেন দাস এজন সঁচা সাধক। এগৰাকী দিগগজ চিন্তানায়ক। অসমীয়া ভাষা-সাহিত্যক দেশৰ ভিন ভিন প্ৰান্তলৈ লৈ নিয়াত আছে অপৰিসীম অৰিহণা।" সভাত অংশ লৈ লেখিকা সংস্থা, অসমৰ বামুণীমৈদাম শাখাৰ সম্পাদক তথা লেখিকা পুতুলী ঠাকুৰীয়া মেধিয়ে কয়, "ড০ দেৱেন দাস বিশাল ব্যক্তিত্বৰ অধিকাৰী। তেওঁৰ অনুপম সৃষ্টিৰাজি আৰু অনুবাদ সাহিত্যৰাজিয়ে অসমীয়া আৰু হিন্দী ভাষা-সাহিত্যৰ ভৰাঁল টনকিয়াল কৰিছে।"

# চতিয়াত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা বিশ্বনাথ সমষ্টি যুৱ কংগ্ৰেছৰ

**ই-সংবাদ, চতিয়া, ১৩ এপ্ৰিলঃ** বিশ্বনাথ বিধানসভা সমষ্টিৰ নৱগঠিত ঘিলাধাৰীমুখ গাঁও পঞ্চায়তৰ অন্তৰ্গত বিভিন্ন ৱাৰ্ডৰ পৰা ২০২৫ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা প্ৰায় ৪০ গৰাকী কৃতী শিক্ষাৰ্থীসকলক আজি কৰৈয়নী নতুন চেণ্টাৰত ফুলাম গামোচা আৰু কলমেৰে সম্বৰ্ধনা জনোৱা হয়। উক্ত সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকে বিশ্বনাথ সমষ্টিৰ যুৱ কংগ্ৰেছৰ সভাপতি জাহাংগীৰ হুছেইন, ঘিলাধাৰীমুখ গাঁও পঞ্চায়তৰ মণ্ডল কংগ্ৰেছৰ সভাপতি ছোৰাহাব আলী, যুৱ কংগ্ৰেছৰ সদস্য ছহিদুৰ ৰহমান, চহিবুৰ ৰহমান, সমাজসেৱক আব্দুল ছহিদ, যুৱ সমাজ সেৱক দলিলুৰ ৰহমানৰ লগতে কৰ্মকৰ্তা উপস্থিত থাকে।

# এম এছ চি টিউচন চেণ্টাৰৰ ফলাফল সন্তোষজনক

**ই সংবাদ, দুমুনিচকী, ১৩ এপ্ৰিলঃ** সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ছিপাঝাৰ সমীপৱৰ্তী এম এছ চি টিউচন চেন্টাৰ, মুছলিমঘোপাৰ ৯৫.৪৫ শতাংশ পৰীক্ষাৰ্থীয়ে উত্তীৰ্ণ হৈ সমগ্ৰ অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। জানিব পৰা মতে এইবেলি চেন্টাৰটোৰ পৰা মুঠ ৪২ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰ ভিতৰত এগৰাকী ডিষ্টিংচন, ১০ গৰাকী ষ্টাৰ, ২১ গৰাকী প্ৰথম বিভাগত উত্তীৰ্ণ হৈ সমগ্ৰ অঞ্চললৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। বিশেষকৈ উচ্ছ গণিত আৰু সাধাৰণ গণিতত ১১ জনকৈ ছাত্ৰ-ছাত্ৰীয়ে লেটাৰ মাৰ্ক পাবলৈ সক্ষম হৈছে। উল্লেখ্য যে উক্ত চেন্টাৰৰ পৰা আলী বিন আবু ছিদ্দিকে উচ্ছ গণিতত ৯৯ শতাংশ আৰু হিফজুৰ খানে সাধাৰণ গণিতত ৯৫ শতাংশ নম্বৰ লাভ কৰিছে বুলি পৰিচালক মোখলেচুৰ ৰহমান ৰেজৱীয়ে জানিবলৈ দিয়ে। এম এছ চি টিউচন চেন্টাৰৰ এনে সফলতাক স্থানীয় ৰাইজৰ লগতে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা ড° আব্দুল ৰাদুদ, যুৱ সাহিত্যিক, কবি মুহাম্মাদ ফাৰুক আব্দুল্লাহ নূৰী, অসম ছুন্নী মাদ্ৰাছা শিক্ষা ব'ৰ্ডৰ সচিব ফাইজুৰ ৰহমান চহৰীয়াৰ লগতে শংকৰ আজান জেনিথ একাডেমীৰ সঞ্চালকপ্ৰধান জয়ন্ত কুমাৰ নাথে সন্তোষ প্ৰকাশ কৰিছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# কুজাৰবড়িত মাৰাথন দৌৰ প্ৰতিযোগিতাৰ আয়োজন

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১৩ এপ্ৰিলঃ** নগাঁও জিলাৰ ডিমৌ চাৰিআলিৰ নিকটৱৰ্তী কুজাৰবড়ি যুৱক সংঘৰ সৌজন্যত বিগত বৰ্ষসমূহৰ দৰে এইবাৰো ৰঙালী বিহু উৎসৱ উদযাপনৰ সৈতে ৰজিতা খুৱাই অহা ১৭ এপ্ৰিলত পুৱা ৬ বজাত প্ৰাইজমানি মাৰাথন দৌৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। কুজাৰবড়ি প্ৰাথমিক বিদ্যালয় প্ৰাঙ্গণত আয়োজিত ৰঙালী বিহু উৎসৱ উদযাপনৰ দ্বিতীয় দিনাৰ কাৰ্যসূচীৰ অংশস্বৰূপে আয়োজিত এই প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ  অৰুণ বৰা সোঁৱৰণী নগদ- ২৫০১ টকা সহ মানপত্ৰ, দ্বিতীয় পুৰস্কাৰ ৰাধাকান্ত বৰা সোঁৱৰণী নগদ- ২০০১ টকা সহ মানপত্ৰ, তৃতীয় পুৰস্কাৰ টংকেশ্বৰ শইকীয়া সোঁৱৰণী নগদ- ১৫০১ টকা সহ মানপত্ৰ, চতুৰ্থ পুৰস্কাৰ মণি বৰা সোঁৱৰণী নগদ- ১০০১ টকা সহ মানপত্ৰ, পঞ্চম পুৰস্কাৰ দূৰ্গা হাজৰিকা সোঁৱৰণী নগদ ধনৰ বঁটা সহ মানপত্ৰ আৰু ষষ্ঠ পুৰস্কাৰ ৰিণ্টু হাজৰিকা সোঁৱৰণী নগদ ধন সহ মানপত্ৰ আগবঢ়োৱা হ'ব বুলি উদ্যোক্তাসকলৰ হৈ ৰঞ্জনজ্যোতি বৰুৱাই জানিবলৈ দিয়ে। ইয়াৰোপৰি দৌৰ সম্পূৰ্ণ কৰা সকলো খেলুৱৈকে বিশেষ পুৰস্কাৰ প্ৰদান কৰা হ'ব। কুজাৰবড়ি যুৱক সংঘৰ উপদেষ্টা ৰঞ্জন শইকীয়াই আনুষ্ঠানিকভাৱে উদ্বোধন কৰিবলগীয়া এই মাৰাথন দৌৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবৰ বাবে সবিশেষ জানিবলৈ শীঘ্ৰে ক্ৰীড়া সম্পাদকত্ৰয় স্বাধীন শইকীয়া, মনোৰঞ্জন বৰা আৰু পলাশপ্ৰতিম হাজৰিকাৰ সৈতে ফোন নম্বৰ (৯৮৬৪৯৭২১৭৪ / ৬০০১৩২৪৫৫৭)ত যোগাযোগ কৰিবলৈ লগতে অনুৰোধ জনাইছে।

# বিছেন্নালাত শিলাগুটি ক্ৰিকেট প্ৰিমিয়াৰ লীগ

**ই-সংবাদ, ৰঙিয়া, ১৩এপ্ৰিলঃ** ৰঙিয়াৰ বিছেন্নালাত প্ৰয়াত দেবেন কুমাৰৰ সোঁৱৰণত আজিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত হৈছে প্ৰথম বাৰ্ষিক আন্তঃ পঞ্চায়ত শিলাগুটি প্ৰিমিয়াৰ লীগ। স্থানীয় বৈদ্যগড়, মধ্যপাণ্ডুৰী আৰু বিছেন্নালা পঞ্চায়তৰ খেলুৱৈ দলৰ মাজত অনুষ্ঠিত হৈছে উক্ত প্ৰতিযোগিতা। প্ৰতিযোগিতাৰ উদ্বোধন কৰে স্থানীয় গাওঁপ্ৰধান তথা সমাজসেৱী সীমান্ত কুমাৰে। অঞ্চলটোৰ যুৱ সমাজক ক্ৰীড়াৰ প্ৰতি আকৰ্ষিত কৰাৰ লক্ষ্যৰে এই প্ৰতিযোগিতাখনি আয়োজন কৰা হৈছে বুলি জানিবলৈ দিয়ে উদ্যোক্তাসকলে।



আইপিএল ২০২৫: আৰচিবিৰ বিৰুদ্ধে ক্ৰিজত নমাৰ পূৰ্বে অনুশীলনত ব্যস্ত ৰাজস্থান ৰয়েল্‌ছৰ ৰিয়ান পৰাগৰ

## ভাৰতীয় ক্ৰিকেট দুনীয়াত আন এক নজিৰ স্থাপন কিং কোহলিৰ

# টি-২০ ক্ৰিকেটত অৰ্ধশতকৰ 'ছেঞ্চুৰী'ৰ অভিলেখ বিৰাটৰ নামত

**নতুন দিল্লী, ১৩ এপ্ৰিলঃ** নতুন অভিলেখেৰে আকৌ এবাৰ নিজৰ শ্ৰেষ্ঠত্বৰ প্ৰমাণ দিলে কিং কোহলিয়ে। টি-২০ ক্ৰিকেটত ১০০ সংখ্যক অৰ্ধশতক অৰ্জন কৰি তেওঁ ইতিহাসৰ পৃষ্ঠাত সোণালী আখৰেৰে লিপিবদ্ধ কৰিলে নিজৰ নাম। দেওবাৰে ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে ৬২ ৰানৰ অপৰাজিত ইনিংছ খেলি এই অনন্য কৃতিত্ব অৰ্জন কৰে কোহলিয়ে। মেচখনত ফিল ছল্ট আউট হোৱাৰ পিছত তেওঁ চাপৰ মাজতে আগুৱাই লৈ যায় দলটোক। তেওঁৰ এই ইনিংছে দলটোক আশাৰ সঞ্চাৰ কৰাই নহয়, এক অভূতপূৰ্ব অভিলেখ গঢ়িবলৈও সক্ষম হয়। দেওবাৰৰ খেলখনত কোহলিয়ে ৪৫টা বলত অপৰাজিত ৬২ ৰান সংগ্ৰহ কৰে। এই ইনিংছৰ জৰিয়তে তেওঁ টি-২০ ক্ৰিকেটত ভাৰতীয়ৰ ভিতৰতে সৰ্বাধিক অৰ্ধশতক অৰ্জন কৰাৰ অভিলেখ গঢ়িবলৈ সক্ষম হয়। এই ফৰ্মেটত তেওঁ ১০০টা অৰ্ধশতক অৰ্জন কৰিছে। এয়া হৈছে এজন ভাৰতীয়ৰ প্ৰথম আৰু একমাত্ৰ কৃতিত্ব। তেওঁৰ নামত আছে ৯টা শতকো। নিজৰ দেশৰ হৈ টি-২০ত ৩৮টা অৰ্ধশতক অৰ্জন কৰাৰ লগতে এটা শতক অৰ্জন কৰিছে কোহলিয়ে। এতিয়ালৈকে তেওঁ ৪০৪খন টি-২০ মেচ খেলিছে, য'ত তেওঁৰ মুঠ ৰান হৈছে ১৩,০৭২। যদিও যোৱা বছৰ টি-২০ বিশ্বকাপ জয় কৰাৰ পাছত কোহলিয়ে আন্তঃৰাষ্ট্ৰীয় টি-২০ৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল, তথাপিও আইপিএলত তেওঁ সমানে আধিপত্য বিস্তাৰ কৰি আছে। অৱশ্যে টি-২০ত সৰ্বাধিক অৰ্ধশতক অৰ্জন কৰাৰ অভিলেখ এতিয়াও ডেভিদ ৱাৰ্নাৰ (১০৮)ৰ হাতত আছে। যদিও এইবাৰ আইপিএলত তেওঁক দেখা পোৱা নাই, তথাপিও তেওঁ পাকিস্তান ছুপাৰ লীগত খেলি আছে। এই তালিকাত দ্বিতীয় স্থানত আছে কোহলি। আৰু তৃতীয় স্থানত ৯০টা অৰ্ধ শতকেৰে আছে বাবৰ আজম। কোহলিৰ ফৰ্মে অনুৰাগীৰ হৃদয় জয় কৰি আহিছে।

## অসমবাসী ৰাইজলৈ ৰঙালী বিহুৰ আন্তৰিক শুভেচ্ছা



**ডঃ দয়ানন্দ শ্বাহ**
**শিক্ষাবিদ,**
**বিশিষ্ট সমাজকৰ্মী,**
**ডিব্ৰুগড়**

বিহু মানেই এক উছাহ, বিহু মানেই হেঁপাহ। ৰঙালীৰ এই মধুৰ ক্ষণত প্ৰতিগৰাকী অসমীয়াক আন্তৰিকতাৰে ৰঙালী বিহুৰ শুভেচ্ছা জনালো। সকলোৰে মন ৰঙালীৰ ৰঙেৰে ভৰি পৰক। বিহুৰ ধেমালি, বিহুৰ নাচ-গান, পিঠা-লাৰুৰ সোৱাদ, আৰু মিলনৰ এই মধুৰ মুহূৰ্তে সকলোৰে মন আনন্দৰ ৰঙেৰে ভৰাই তোলক। পৰিয়ালৰ মাজত সম্প্ৰীতি, সমাজত মৈত্ৰী, আৰু প্ৰকৃতিৰ সৈতে একাত্মতাৰে এই উৎসৱৰ আঁৰৰ শিক্ষাই আমাক আগবঢ়াই নিয়ক। সকলোৰে ঘৰত শান্তি, সুখ-সমৃদ্ধি উভৈনদী হৈ পৰক। নতুন বছৰে নতুন আশা, নতুন স্বপ্ন আৰু যুগুত সমাধানৰ বাট মুকলি কৰক। বিহুৱতীৰ মেঘালী চাদৰে যেন জীৱনৰ সকলো অন্ধকাৰ আঁতৰাই উজ্জ্বল কৰি তোলে। ৰঙালীৰ ৰঙে সকলোৰে মন-প্ৰাণ ৰঙীণ কৰি তোলক। অসমীয়া জাতিৰ প্ৰাণৰো আপোন ৰঙালীৰ স্বকীয় সত্বা সদায় স্বকীয় হৈ ৰওক। বিজতৰীয়া সংস্কৃতিৰ অৱসান ঘটক। ৰঙালীৰ এই বিশেষ ক্ষণত তাৰেই আশা কৰি সদৌটিলৈ পুনৰ জনালো শুভেচ্ছা।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)।
কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি